# বৰদৈচিলা

ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসৰ আলোচনী

সম্পাদনা

চাণক্য নেওগ

D.H.S.K. College
Estd-1945
Date........
Dibrugarh, Assam

D.H.S.K. College, A.C.C.C. Library
Estd-1945
Date.........
★ Dibrugarh, Assam ★

ব
ৰ
দৈ
চি
লা

# বৰদৈচিলা

প্ৰীতি আৰু শুভেচ্ছাৰে—

মহাবিদ্যালয়ৰ পুথিভঁৰাললৈ
আগবঢ়ালো

## ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাস
## ২০২২-২৩ বৰ্ষ




**<u>বৰদৈচিলাঃ</u>** উচ্চ শিক্ষাৰ ক্ষেত্ৰখনত অনবদ্য অৱদান আগবঢ়াই অহা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসৰ দ্বাৰা প্ৰযোজিত আৰু প্ৰকাশিত এক আলোচনী।

## সম্পাদনা সমিতিঃ

| | |
|---|---|
| **মূখ্য উপদেষ্টা** | : ড° মৃদুল শৰ্মা |
| **উপদেষ্টা** | : ড°বিৰাজ দত্ত |
| **সম্পাদক** | : শ্ৰী চাণক্য নেওগ |
| **সদস্য** | : শ্ৰী ধ্ৰুৱজ্যোতি গগৈ<br>শ্ৰী অনুৰনন শৰ্মা<br>শ্ৰী লিলেন পাংগিং<br>শ্ৰী শিৱ শংকৰ পেগু<br>শ্ৰী বিশাল চাহু<br>শ্ৰী দিপাংকৰ ভদ্ৰ<br>শ্ৰী লক্ষ্যজ্যোতি নাথ<br>শ্ৰী জিতু দেউৰী<br>শ্ৰী মনোৰঞ্জন ডেকা<br>শ্ৰী নিপু বৰুৱা<br>শ্ৰী গৌতম চেতিয়া<br>শ্ৰী কল্লোল দত্ত<br>শ্ৰী কৃষ্ণ চেত্ৰী<br>লগতে ছাত্ৰাবাসৰ সকলো আৱাসী। |
| **বেটুপাত আৰু ডি. টি. পি.** | : শ্ৰী ধ্ৰুৱজ্যোতি গগৈ |

**১ম সংস্কৰণ** : ২০১৭-১৮ (দেৱদাৰু)
**২য় সংস্কৰণ** : ২০২২-২০২৩ (বৰদৈচিলা)

# শ্ৰদ্ধাঞ্জলি

ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ;
পাছলৈ যাৰ  নামেৰেই মহাবিদ্যালয়ৰ একমাত্ৰ ছাত্ৰাবাসটোৰ নাম
ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাস নামেৰে নামকৰণ কৰা হয়।



স্বৰ্গীয় ডিম্বেশ্বৰ চলিহা



# -ঃশুভেচ্ছাবাণীঃ-

-ড° প্ৰিয়দেৱ গোস্বামী
উপাধ্যক্ষ
ডিঃহঃ সুঃ কানৈ মহাবিদ্যালয় ।

মানুহৰ চিন্তা তথা ভাৱ প্ৰকাশৰ এক মাধ্যম হ'ল লিখিত ভাষা। লিখনিৰ দ্বাৰাই এটা সময়ৰ চিন্তাধাৰা, সমাজ সংস্কৃতিৰ তথ্যপাতি আদি সংৰক্ষণ হৈ থাকে। মানৱ সভ্যতা বিকাশৰ লগে লগে ভাষাৰ আৱিষ্কাৰ হ'ল। মানুহে লিখিবলৈ ল'লে। বিভিন্ন মাধ্যমত মানুহে নিজৰ চিন্তাধাৰা তথা জীৱনকালৰ তথ্য যেনে শিলালিপি, ধাতুৰ পাত বা কাগজত লিপিবদ্ধ কৰি থৈ গৈছে। মানুহৰ ঘটনা প্ৰবাহ পিছৰ প্ৰজন্মক দি থৈ যোৱাটো এক মানসিক প্ৰৱণতা। আমাৰ অসমত ধাৰাবাহিকভাবে বুৰঞ্জী লিখাৰ প্ৰথা আহোমসকলে আমাক দেখুৱাই গৈছে।

ছপা যন্ত্ৰৰ আৱিষ্কাৰৰ পিছত পুঁথি প্ৰকাশ কৰাতো সহজহৈ পৰিল। ইয়াৰ লগে লগে জ্ঞানৰ ভাণ্ডাৰ সৰ্বসাধাৰণ জনতালৈ মেল খালে। একোটা অনুষ্ঠানেও না না ঘাট-প্ৰতিঘাটৰ মাজেৰে বিকশিত হয়। প্ৰতিষ্ঠা আৰু বিকাশৰ বিভিন্ন স্তৰত সংগৃহিত তথ্যই আমাক সমৃদ্ধ কৰে, লগতে অনেক মহান মণিষিৰ বিষয়ে জ্ঞাত হোৱাত সহায় কৰে। বিভিন্নজনৰ অৱদান, কষ্ট স্বীকাৰৰ কাহিনী এনে লিখনিৰ দ্বাৰা পোৱা যায়।

পৰাধীন বৰ অসমত প্ৰতিষ্ঠা হোৱা পঞ্চমখন কলেজ হ'ল ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়। ১৯৪৫ চনৰ ১৫ জুনত এই মহাবিদ্যালয় প্ৰতিষ্ঠা হৈছিল। যোৱা ৭৭ বছৰে এই কলেজখনে শিক্ষাৰ্থীসকলক জ্ঞান বিলাই আহিছে। দূৰ-দূৰণীৰ বহু ছাত্ৰই এই মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ আহে। এনে উদ্দেশ্য আগত ৰাখিয়েই মহাবিদ্যালয়ৰ প্ৰাঙ্গনত এটা ছাত্ৰাবাস নিৰ্মাণ কৰা হৈছিল আজিৰ পৰা প্ৰায় ৫০ বছৰ আগতে। এই ছাত্ৰবাসৰ আৱাসী হিচাপে থকা বহু শিক্ষাৰ্থীয়ে। সমাজলৈ অলেখ অবদান আগবঢ়াইছে তথা ৰাজ্যখনৰ গধুৰ দায়িত্বও পালন কৰিছে। বৰ্তমানৰ আৱাসীসকলে তেওঁলোকৰ চিন্তাধাৰা আৰু কিছু তথ্যপাতি সন্নিবিষ্ট কৰি বৰ্তমানৰ সময়ক ধৰি ৰাখিবলৈ আগ্ৰহ কৰিছে। ই অতি উত্তম কাৰ্য। বৰ্তমানৰ আৱাসীসকলৰ এই প্ৰয়াসে ভবিষ্যত প্ৰজন্মকো উৎসাহিত কৰিব। পুষ্টিকাখনৰ প্ৰকাশে ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসক এক নতুন পৰিচয় তুলি ধৰিব বুলি আশা কৰিলোঁ। সমূহ আবাসী তথা যিকেইজন ছাত্ৰৰ কেতিয়াও হাৰ নমনা মনৰ প্ৰচেষ্টাত ইয়াক প্ৰকাশ কৰাৰ দিহা কৰা হৈছে তেওঁলোকলৈ মোৰ শুভেচ্ছা যাচিলোঁ ।

# সদৌ অসম ছাত্ৰ সন্থা
## সদৌ ডিব্ৰুগড় ছাত্ৰ সন্থা

## -ঃশুভেচ্ছাবাণীঃ-

ডিব্ৰুগড় চহৰৰ লগতে অসমৰ উচ্চশিক্ষাৰ ক্ষেত্ৰখনত অনবদ্য অৱদান আগবঢ়াই অহা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসে বিগত বৰ্ষৰ দৰে এইবাৰো বৰদৈচিলা নামেৰে এখনি আলোচনী প্ৰকাশ কৰাৰ দিহা কৰিছে বুলি জানি আমি অত্যন্ত সুখী হৈছো । প্ৰকৃততে মহাবিদ্যালয়ৰ আলোচনী হৈছে ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ দাপোনস্বৰূপ । এই আলোচনীৰ দ্বাৰাই ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তা-চৰ্চা তথা বৌদ্ধিক মানদণ্ড প্ৰতিফলিত হয় , তেওঁলোকৰ সাহিত্যসুলভ মনোভাৱসমুহ বাহ্যিক ৰূপত প্ৰকাশ লাভ কৰিবলৈ সক্ষম হয় ।

আলোচনী প্ৰকাশৰ লগত জড়িত সম্পাদকৰ লগতে সমূহ সদস্যলৈ আমাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

সভাপতি

সাধাৰণ সম্পাদক

# -ঃসম্পাদকীয় টোকাঃ-



## -:নাটক আৰু নাট্যকাৰ :-

-শ্ৰী চাণক্য নেওগ
পঞ্চম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ।

সাহিত্য হ'ল মানৱ জাতিৰ দাপোন। এই দাপোনতে চাই নিজ জাতিৰ, নিজ দেশৰ, নিজ ধৰ্ম, নিজ লোক সংস্কৃতিৰ কথা জানিব পৰা যায়। আৰু তাৰ জৰিয়তে আমি হয়তো উক্ত বিষয় কেইটাৰ কথা জানি বুজি নিজকে গৌৰৱবোধ কৰিব পাৰো। সি যি কি নহওক প্ৰধান কথাটো হ'ল পূৰ্ব প্ৰজন্মই কি দিছে আৰু কি দিবলৈ ওলাইছো সেইটো আমি ভবা উচিত।

সাহিত্যৰ বিভিন্ন শাখা সমূহৰ ভিতৰত নাটক এক ব্যতিক্ৰম শাখা। নাটকৰ বাদে নাটকৰ অন্য শাখা সমূহক পঠন, শ্ৰৱন আৰু কথনৰ যিকোনো এটা মাধ্যমৰ জৰিয়তে প্ৰকাশ ঘটাব পাৰি। কিন্তু নাটকৰ ৰস গ্ৰহণ কৰাৰ ক্ষেত্ৰত শ্ৰৱন আৰু কথন দুয়োটাৰ সমানে প্ৰয়োজন। নাটকত নাট্যকাৰ, পৰিচালক, অভিনেতা, নেপথ্যৰ কলাকৌশলী, দৰ্শক সকলোৰে সমাহাৰ ঘটাৰ বাবে নাটকক যৌগিক কলা বোলা হয়। ক্ৰিয়াশীলতা বা নাট্যক্ৰীয়া নাটকৰ গুৰুত্ব পূৰ্ণ দিশ। নাট্যক্ৰীয়া সদায় গতিশীল। ঘটনা আৰু চৰিত্ৰ গতিশীল ৰূপান্তৰ আৰু ভাবান্তৰেই নাটকৰ ক্ৰীয়া।

ভৰত মুনিয়ে কৈছে, ত্ৰৈলোক্যসাম্য সৰ্বস্য নাটং ভাবানু কীৰ্তনমং। অৰ্থাৎ নাটক তিনিওলোকৰ ভাৱানু কীৰ্ত্তন। লগতে তেওঁ এইটোও কৈছে যে "ন তজ্ জ্ঞানং ন তচ্ছিল্পং নসা বিদ্যা সা কলা। নস যোগান তৎকৰ্ম নাত্যেহস্মিন যন্ন দৃশ্যাতে?" এনে কোনো জ্ঞান, শিল্প, বিদ্যা, কলা নাই যি নাটকত প্ৰদৰ্শিত নহয়। সংস্কৃত আলংকাৰিকৰ মতে নাটক বিশুদ্ধ সাহিত্যৰ অন্তৰ্গত আৰু ই সকলো কাব্যৰ ভিতৰত উৎকৃষ্ট। "কাব্যেসুৰম্যম।" নিকলৰ ভাষাত নাটক হল 'জীবন সংক্ৰান্ত ধাৰনা সমূহৰ অভিব্যক্তিৰ এনে এক শিল্পকলা যত সেই অভিব্যক্তি সকলৰ দ্বাৰা ব্যাখ্যাত হোৱাৰ উপযোগীতাৰ শ্ৰৱনীয় বচন আৰু দৰ্শনীয় ক্ৰিয়াশীলতাৰে দৰ্শকৰ মনোৰঞ্জনৰ কাৰণ হব পাৰে।

ভাৰতীয় নাটক শব্দটো ভাৰতীয় সাহিত্যত পোনপ্ৰথম মহাকবি কালিদাসে প্ৰয়োগ কৰে। বিশ্বত নাট্যধৰ্মী অনুষ্ঠানেই অতি প্ৰাচীৰ। আদিম গুহা মানৱৰ হাততেই নাটকৰ সৃষ্টি হয়। চিকাৰ প্ৰিয় মানুহে চিকাৰ আৰু যুদ্ধৰ কাহিনী অংগী ভংগীৰে আনক বুজাবলৈ ধৰে। শিল, দা, যাঠি আদিৰ ব্যৱহাৰ শিকি এনে অনুষ্ঠানত প্ৰয়োগৰ মাধ্যমেৰে নাট্য কলাৰ বীজ ৰোপন কৰে। নাটকৰ পীঠস্থান গ্ৰীচ দেশত সুৰা আৰু আনন্দৰ দেৱতা ডায়োনিচাৰ আগত কৰা নৃত্য গীতৰ পৰাই নাটকৰ সুচনা হয়। ডায়োনিচাৰে বিবাহ উৎসৱ কাহিনীৰ বৰ্ণনাৰ পৰা কমেডি আৰু জুনা দেৱতাৰ কৰন কাহিনীৰ পৰা বিয়োগাত্মক নাটক ট্ৰেজেদিৰ উৎপত্তি হোৱা বুলি জনা যায়।

ভাৰতীয় নাট্য পৰম্পৰা লগত ধৰ্মীয় দিশ জড়িত হৈ আছে। বৈদিক যুগৰ পৰাই ভাৰতীয় লোক সমাজত ধৰ্মীয় উৎসৱ, অনুষ্ঠান সমূহৰ পৰাই ভাৰতীয় নাট্যকলাৰ উৎপত্তি হয়। অসমীয়া নাট্য সাহিত্যৰ জনক মহাপুৰুষ শংকৰদেৱেও ভগৱান কৃষ্ণৰ লীলা আৰু মাহাত্ম্য প্ৰকাশৰ মাজেৰে ধৰ্মমূলক অংকীয়া নাটৰ মাধ্যমেৰে নাট্য কলাৰ প্ৰতিষ্ঠা কৰে।

নাটকৰ মাজেৰে নাট্যকাৰে জীৱনৰ ধাৰনা সমূহ ব্যক্ত কৰে।ই জীৱন দৰ্শন বা জীৱনৰ সমালোচনা। নাটকৰ কাহিনীৰ মাজেৰে ব্যক্ত হোৱা জীৱনত বাস্তৱৰ প্ৰতিফলন ঘটিলেও নাট্যকাৰৰ কল্পনাৰ স্পৰ্শ থাকে। নাট্যকাৰে তেওঁৰ নিজা দৃষ্টিভংগী প্ৰত্যক্ষ ভাবে নহলেও কাহিনী চৰিত্ৰৰ কাৰ্য, সংলাপ আদিৰ মাজেৰে পৰোক্ষ ভাৱে প্ৰকাশ পায়। উৎকৃষ্ট নাটকৰ নাট্যকৰ জন উহ্য হৈ থাকে যদিও তেওঁৰ দৃষ্টি ভংগী সুন্দৰ ৰূপত উপলব্ধি কৰিব পাৰি।

# অনুক্ৰমণিকা


○ ডিব্ৰেশ্বৰ চলিহা ছাত্ৰাবাসৰ কিছু কথা — ০১
-কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়া

○ মানুহৰ বাবে এটা সপোনৰ পুলি — ০৩
-ড° মৃদুল শৰ্মা

○ বেবেৰিবাং — ০৮
-ড° অনন্ত কুমাৰ দত্ত

○ হোষ্টেলত থাকি অধ্যয়ন কৰা ছাত্ৰৰ কৰ্তব্য — ১০
- মানৰজিৎ শইকীয়া.

○ অনুভৱৰ সিপাৰে মোৰ হোষ্টেল — ১১
-প্ৰাঞ্জল দাস

○ ইন্টাৰনেট আশীবাদ, ইন্টাৰনেট অভিশাপ — ১৪
-আকাশদ্বীপ শইকীয়া

○ ফাটবিহু ঢকুৱাখানাৰ সংস্কৃতিৰ গৌৰৱ — ১৫
-শ্ৰী মানস প্ৰতীম কোঁৱৰ

○ বালিমাহীৰ অৰণ্যলৈ এভুমুকি — ১৬
-শ্ৰী ভাস্কৰ জ্যোতি টাউদ

○ ছাত্ৰ জীৱন আৰু সমাজ সেৱা — ১৮
-ৰাজকুমাৰ গগৈ

○ স্নাতক কালত ছাত্ৰাবাসৰ আমেজ — ১৯
-বিশাল চাহু

○ শদিয়াৰ বিহু — ২০
-মদন সোনোৱাল

○ ৰচনাৰ ওপৰত ৰচনা — ২১
-সমীৰকিৰণ সোনোৱাল

○ কানৈ গ্ৰীণ ক্লাৱ- পৰিৱেশ আন্দোলন আৰু অধ্যক্ষ মহোদয় — ২৩
-গৌতম চেতিয়া

○ সপোন — ২৬
-নিপু বৰুৱা

○ আইলৈ একলম — ২৭
-বাস্তৱ মৰাণ

- **নিস্তব্ধ জীৱন** ২৮
  - ✎ -দেৱজীত বৰা
- **জীৱন্দশা** ২৯
  - ✎ -কল্লোল দত্ত
- **উপলব্ধি** ৩০
  - ✎ - বেদান্ত গগৈ
- **মোৰ অনুভৱ** ৩০
  - ✎ - শ্ৰী অমিত মাহাতু
- **নাৰী** ৩১
  - ✎ -দিপন ভূঞা
- **জীৱন** ৩২
  - ✎ -প্ৰান্তিক দত্ত
- **মোৰ ছাঁ** ৩২
  - ✎ -মৃগাঙ্ক চাণ্ডিল্য
- **দেউতা** ৩৩
  - ✎ -অমিত মাহাতু
- **নিসংগ** ৩৩
  - ✎ -মন্দীপ গগৈ
- **ইতিহাসৰ পম খেদি** ৩৪
  - ✎ -ধীৰাজ বৰুৱ
- **নীলাভ আকাশ** ৩৪
  - ✎ - শ্ৰী কৌশিক দোলাকাষৰীয়া
- **Hostel life** ৩৫
  - ✎ - Abhi Chetri
- **Family Life and Hostel Life** ৩৫
  - ✎ -Onphung Narzary
- **The Revenge of Love.** ৩৬
  - ✎ - Chinmoy Rajbanshi
- **Bhaona** ৩৭
  - ✎ -Monuranjan Das
- **Sidhu Moose Wala** 38
  - ✎ - Rishikesh Hazarika Sonowal
- **Thought** ৩৯
  - ✎ -Suresh Charoh

# ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসৰ কিছু কথা

-কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়া
অধ্যক্ষ
ডিঃ হঃ সুঃ কানৈ মহাবিদ্যালয়।



যোৱা শতিকাৰ ৬০ দশকৰ প্ৰথমছোৱাতে ঐতিহাসিক কানৈ মহাবিদ্যালয়ত নিৰ্মাণ হৈছিল দুমহলীয়া এক ছাত্ৰাবাস। ছাত্ৰাবাসটোৰ ইতিহাস আছে, ঐতিহ্য আছে। এই ছাত্ৰাবাসতে থাকি অধ্যয়ন কৰিছিল অনেক ছাত্ৰই। পৰবৰ্তী সময়ত সেইসকল ছাত্ৰ-ছাত্ৰীয়ে কেৱল ৰাজ্যখনৰ ভিতৰতে নহয়, সমগ্ৰ দেশৰ বিভিন্ন প্ৰান্তত নাম উজলাবলৈ সক্ষম হৈছিল। অসমৰ মুখ্যমন্ত্ৰী পদত অধিস্থিত হৈছিল সৰ্বানন্দ সোণোৱাল। সৰ্বানন্দ সোণোৱাল কানৈ মহাবিদ্যালয়ত অধ্যয়ন কৰি পৰৱৰ্তী সময়ত এজন ইতিবাচক চিন্তাৰ ব্যক্তি ৰূপে সমগ্ৰ দেশতে পৰিচিত হৈ পৰিছে। এই ছাত্ৰাবাসতে থাকি অধ্যয়ন কৰি যোৱা আৱাসী নৰ কুমাৰ দলে পৰৱৰ্তী সময়ত অসম চৰকাৰৰ সাংস্কৃতিক বিভাগৰ মন্ত্ৰী হৈছিল। কানৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক আছিল লাহোৱালৰ বিধায়ক ঋতুপৰ্ণ বৰুৱা। পৰৱৰ্তী সময়ত ঋতুপৰ্ণ বৰুৱাই অসম পৰ্যটন উন্নয়ন নিগমৰ সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰে। এই মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক সুনীল ৰাজকোঁৱৰ পৰৱৰ্তী সময়ত জ্যোতি চিত্ৰবনৰ এটা গুৰুত্বপূৰ্ণ দায়িত্বত অধীস্থিত হৈছিল। এই ছাত্ৰাবাসতে থাকি অধ্যয়ন কৰি পৰৱৰ্তী সময়ত সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীয়ে চিকিৎসক, অধিবক্তা, অধ্যাপক, শিক্ষক, উদ্যোগিক বিষয়া, আৰক্ষী বিষয়া, প্ৰশাসনিক বিষয়াকে ধৰি অন্যান্য বিভাগত সংস্থাপন লাভ কৰিছিল। এই ছাত্ৰাবাসৰ আৱাসীসকলৰ এই কৃতিত্ব অতীততো আছিল, বৰ্তমানেও সেই ধাৰা অব্যাহত আছে। কানৈৰ ছাত্ৰাবাসত অধ্যয়নৰ পৰিবেশ আছিল। সেয়ে প্ৰতিটো দিশতে আৱাসীসকল আগুৱাই যাব পাৰিছিল। এই ছাত্ৰাবাসৰ অতীত গৌৰৱৰ কথা লিখি শেষ কৰিব নোৱাৰি। কানৈ মহাবিদ্যালয়ৰ অতীত ৰোমন্থন কৰিবলৈ গ'লে ষাঠি দশকৰ সেই ছাত্ৰাবাসৰ প্ৰসংগ আহেই। কাৰণ এই ছাত্ৰাবাসত এনে এক শৈক্ষিক পৰিবেশ সৃষ্টি হৈছিল যাৰ ফলত মহাবিদ্যালয়খনতো ইতিবাচক প্ৰভাৱ পেলাইছিল।

যিকোনো কাৰণতে নহওক মাজৰ সময়ছোৱাত প্ৰায় ১৭ বছৰ ধৰি এই ঐতিহ্যপূৰ্ণ, সোণালী অতীত বহন কৰা ছাত্ৰাৱাসটো বন্ধ হৈ আছিল। কি কাৰণে, কাৰ ভুলৰ কাৰণে ছাত্ৰাবাসটো বন্ধ কৰা হৈছিল সেয়া অজ্ঞাত আছিল। মুঠ কথা এই ছাত্ৰাবাস ১৭ বছৰ ধৰি বন্ধ হৈ পৰাটোৱে বহু ছাত্ৰক ছাত্ৰাৱাসৰ সুবিধা গ্ৰহণৰ পৰা বঞ্চিত কৰিছিল। ২০১৫ চনৰ ১৯ জুনত কানৈ মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে যোগদান কৰিয়ে বিধস্ত, জৰাজীৰ্ণ, পৰিত্যক্ত অৱস্থাত থকা ছাত্ৰাৱাসটোত ভুমুকিয়াবলৈ চেষ্টা কৰিছিলো। নাই, নোৱাৰি, ছাত্ৰাবাসৰ কাষলৈকে যাব নোৱাৰি। ছাত্ৰাৱাসটোৰ চাৰিওফালে না না অলাগতিয়াল, অপ্ৰয়োজনীয় গছ-গছনিয়ে বেৰি ৰাখিছিল। আনকি ছাত্ৰাবাসৰ ভিতৰে বাহিৰে ওপৰে তলে কেৱল গছ-গছনি। বহু চেষ্টা কৰিও ছাত্ৰাবাসটোত প্ৰৱেশ কৰিব নোৱাৰি মহাবিদ্যালয়ৰ এন চি চিৰ সহায় লৈছিলোঁ। প্ৰায় ৩৩ জন এন চি চি কেডেটে কেৱল চকুকেইটা উলিয়াই ৰাখি আন সকলো অঙ্গ কাপোৰেৰে ঢাকি ছাত্ৰাবাসটো পৰিষ্কাৰ কৰিছিল। কমেও দহদিন এন চি চি কেডেটসকলে ছাত্ৰাৱাসটো পৰিষ্কাৰ কৰাৰ কামত জড়িত হৈছিল। বহু কোঠাত উঁইহাফলু গঢ় লৈ উঠিছিল, বহু কোঠাত ফেটি সাপৰ বসতি হৈছিল। ছাত্ৰাৱাসটোৰ কাষলৈ যাওঁতেও প্ৰথম দিনটোতে বহু কেইডাল বিষাক্ত সাপ দেখা মনত পৰে। মোৰ সৈতে সহযোগী, প্ৰতক্ষদৰ্শী আছিল দিলীপ শৰ্মা, হেমন্ত কুমাৰ ভৰালী। যি ছাত্ৰাৱাসত হাবি-জংঘলৰ বাবে কাষ চাপিব পৰা নগৈছিল। সেই ছাত্ৰাবাসটো এন চি চি কেডেটসকলে নেৰানেপেৰা চেষ্টা কৰি পৰিষ্কাৰ কৰিছিল। বহু কোঠাত বিভিন্ন ধৰণৰ পেলনীয়া সামগ্ৰীৰে ভৰি আছিল। ছাত্ৰাবাসটোৰ যি সোণালী ইতিহাস আছিল সেই ইতিহাস পৰিত্যক্ত হৈ ম্লান পৰিছিল। মহাবিদ্যালয়খনত অধ্যক্ষ হিচাপে যোগদান কৰিয়ে প্ৰথমেই সিদ্ধান্ত লৈছিলোঁ ছাত্ৰাৱাসটো মুকলি কৰাৰ। ইমান এটা সুন্দৰ সম্পদ তেনেকৈ চকুৰ আগতে কেতিয়াও ধ্বংস হ'বলৈ দিব নোৱাৰি। ছাত্ৰাৱাসটো মুকলি কৰিমেই। এনে সিদ্ধান্ত লোৱাৰ লগে লগে প্ৰাক্তন আৱাসী সেই সময়ৰ বিধায়ক ঋতুপৰ্ণ বৰুৱাই ছাত্ৰাবাসটো মুকলি কৰাৰ বাবে পৰামৰ্শ দিছিল।

২০১৬ চনত ছাত্ৰাৱাসটো মুকলি কৰা হ'ল। সহায় কৰিলে মহাবিদ্যালয় পৰিচালনা সমিতি, ছাত্ৰ একতা সভা আৰু অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীসকলে। ছাত্ৰাৱাসটো পৰৱৰ্তী সময়ত উন্নয়নৰ বাবে আগবাঢ়ি আহিল মহাবিদ্যালয়খনৰ প্ৰাক্তন অধ্যক্ষ ডিম্বেশ্বৰ চলিহাৰ পুত্ৰ ডা: জয়ন্ত চলিহা। ছাত্ৰাৱাসৰ ভিতৰে বাহিৰে কিছু অংশত টাইলছ লগোৱাৰ উপৰি গা ধোৱা ঘৰ, প্ৰস্ৰাৱগাৰ আদি কিছু উন্নত কৰাত সহায় কৰি দিলে। পৰিয়ালটোৰ এনে বৰঙণিৰ বাবে ছাত্ৰাবাসটো প্ৰাক্তন অধ্যক্ষ, প্ৰয়াত ডিম্বেশ্বৰ চলিহাৰ নামেৰে নামাকৰণ কৰা হ'ল। ছাত্ৰাৱাসটোৰ পৰিৱেশ, পৰিস্থিতি কিছু উন্নত হ'বলৈ ধৰিলে। অনেক সমস্যাই আৱাসীসকলক জুৰুলা কৰি থাকিলেও আৱাসীসকলক পঢ়াৰ এক সুবিধা দিয়া গৈছিল। এই ছাত্ৰাবাসতে থাকি পৰৱৰ্তী সময়ত বহু সংখ্যক ছাত্ৰই কেৱল প্ৰথম শ্ৰেণীয়ে নহয়, বিশ্ববিদ্যালয়ৰ ভিতৰতো বহু বিষয়ত অধিক নম্বৰ পাবলৈ সক্ষম হৈছে। বিভিন্ন সমস্যা, ঘাত-প্ৰতিঘাত নেওচি ছাত্ৰাবাসটো আগুৱাই যাবলৈ ধৰিলে। ছাত্ৰাৱাসত দুজনকৈ ৰান্ধনী নিয়োগ কৰা হ'ল। দুজনকৈ ক্ৰীড়া শিক্ষক নিযুক্তি দিয়া হ'ল। পুৱাৰ ভাগত যোগাসনৰ প্ৰশিক্ষণ ল'বলৈ প্ৰশিক্ষক নিযুক্তি দি যোগাভ্যাস গঢ়ি তোলাৰ প্ৰয়াস চলোৱা হ'ল। ছাত্ৰাবাসটো ৰং ঘঁহি জিলিকাই তোলা হ'ল। ছাত্ৰাৱাসৰ অন্যান্য সমস্যাৰ মাজত আছিল ৰান্ধনী ঘৰ আৰু আহাৰ গ্ৰহণ কৰা ঘৰৰ অভাৱ। সেই সমস্যাও নোহোৱা কৰাৰ প্ৰয়াস চলোৱা হ'ল। ছাত্ৰাবাসত অধ্যয়নৰ পৰিৱেশ সৃষ্টিৰ বাবে, শৈক্ষিক পৰিৱেশ সৃষ্টিৰ বাবে না না ধৰণে উত্তৰণৰ চিন্তা কৰা হ'ল। ছাত্ৰাৱাসটোৰ ভূমি মহলাত সভা-সমিতি অনুষ্ঠিত কৰিব পৰাকৈ সুবিধা কৰি দিয়া হ'ল। বিছনা, টেবুল পূৰ্বতকৈ উন্নত কৰা হ'ল। খোৱা পানীৰ বাবে ব্যৱস্থা কৰা হ'ল। এনে অনেক সমস্যা আঁতৰ কৰিবলৈ চেষ্টা কৰি থকা হৈছে। ১৭ বছৰ ধৰি পৰিত্যক্ত হৈ থকা ছাত্ৰাৱাসটো বসবাসৰ যে অনুপযোগী হৈ পৰিছিল সেয়া সকলোৱে স্বীকাৰ কৰে। তেনে এটা পৰিত্যক্ত গৃহ পুনৰ পৰিষ্কাৰ কৰি মানুহ থাকিব পৰা ব্যৱস্থা কৰাতো নিশ্চিতভাবে এক প্ৰত্যাহবান আছিল। সেই প্ৰত্যাহবান গ্ৰহণ কৰি ছাত্ৰাৱাসটো দোপদদোপে আগুৱাই নিয়াৰ প্ৰয়াস কৰা হ'ল।

২০১৬ চনৰ ২০ এপ্ৰিলত অসম গেছ কোম্পানীৰ ভাৰপ্ৰাপ্ত বিষয়ালৈ ছাত্ৰাবাসটোত ৰন্ধন গেছ সংযোগ কৰিবলৈ পত্ৰ লিখা হয়। এই পত্ৰৰ লগে লগে সংযোগ দিয়ে গেছ কোম্পানীয়ে। এখন পৰিচালনা সমিতি গঠন কৰি দিয়া হয়। সেই অনুসৰি উপাধ্যক্ষ ড০ এ আহমেদ, অধ্যাপক নৰেন্দ্ৰ মাহেলা, অধ্যাপক এ কে দত্ত আৰু অধ্যাপক ডি ডুঙ্গেলক লৈ সমিতিখন গঠন কৰি দিয়া হয়। অধ্যাপক ডি ডুঙ্গেলক ২৮.০৬.২০১৬ চনৰ পৰা কাৰ্যকৰী হোৱাকৈ ছাত্ৰাৱাসটোৰ অধীক্ষক হিচাপে নিযুক্তি দিয়া হয়। ছাত্ৰাৱাসটো মুকলি কৰিয়ে দায়িত্ব দিয়া হৈছিল অধ্যাপক ডেইমুনচাং ডুঙ্গেলক। ডুঙ্গেলে যথেষ্ট পৰিশ্ৰম কৰাৰ অন্তত আবাসীসকলে আৰম্ভণিৰ পৰাই এক পৰিৱেশ সৃষ্টি কৰিছিল। বহু সৃষ্টিশীল মনৰ আবাসী ছাত্ৰাবাসটোত নামভৰ্তি কৰিছিল। সেইসকল আৱাসীৰ কিছু সংখ্যকৰ নাম লবই লাগিব । চন্দন ফুকন, মানৱজ্যোতি শেনচোৱা, সুৰজ শ্বাহ, প্ৰাঞ্জল দাস, বিকাশ মিছংৰ দৰে আৱাসীৰ নাম ল'বই লাগিব। আৰু অনেক আৱাসী আছিল যিসকলৰ নাম ল'লে এনে তালিকাখন দীঘল হৈ যাব। সেইসকল আৱাসীয়ে ছাত্ৰাৱাসটো সৰ্বতো দিশত জিলিকাই তুলিবলৈ চেষ্টা কৰিছিল। মুখ্য অধীক্ষক হিচাপে নিযুক্তি দিয়া হৈছিল অধ্যাপক ড০ মৃদুল শৰ্মাক । ছাত্ৰাৱাসটো উন্নয়নৰ বাবে ড০ শৰ্মায়ো কঠোৰ পৰিশ্ৰম কৰাৰ ইতিহাস আছে। ড০ মৃদুল শৰ্মাৰ পৰামৰ্শতে নতুনকৈ ৰান্ধনী ঘৰ উন্নয়নৰ লগতে আন বহুতো উন্নয়ন কৰা হ'ল। ২০১৭ চনৰ ২২ ফেব্ৰুৱাৰীত প্ৰাক্তন অধ্যক্ষ ডিম্বেশ্বৰ চলিহাৰ সহধৰ্মিনি ডালিমী চলিহাই ছাত্ৰাবাসটো উন্নতি কৰাৰ বাবে এক পত্ৰ দিয়ে আৰু ৫ লাখ টকাৰ সাহায্য আগবঢ়ায়। সেই অনুসৰি ছাত্ৰাবাসটিৰ নাম ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাস নামেৰে নামাকৰণ কৰাৰ কথা উল্লেখ কৰে। কানৈ মহাবিদ্যালয়ৰ ছাত্ৰাৱাস ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাস নামেৰে চমুকৈ ডি চি ছাত্ৰাৱাসলৈ উত্তৰণ ঘটাৰ পিছৰে পৰা আৱাসটোত শিক্ষা, ক্ৰীড়া, সাহিত্য, স্বচ্ছতা আদিৰ দিশত যথেষ্ট বৰঙণি যোগাই আহিছে। পুৱা ছাত্ৰাৱাসৰ আৱাসীসকলে মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰা দৃশ্য দেখিলে বহু হৃদয়বান লোক আৱেগিক হৈ পৰে। মহাবিদ্যালয় চৌহদ পৰিস্কাৰ হৈ থকাৰ অন্যান্য সকলৰ লগতে ছাত্ৰাৱাস আৰু ছাত্ৰীনিৱাসৰ আৱাসীসকলৰ নাম ল'বই লাগিব। দুয়োটা আৱাসৰ আৱাসীসকলে মহাবিদ্যালয়খনৰ চৌহদ নিৰন্তৰে পৰিষ্কাৰ কৰি আহিছে। সময়ৰ জোখেৰে ক'বলৈ হ'লে ৩০০০ দিন অতিক্ৰম কৰিলে। প্ৰকৃততে কানৈ মহাবিদ্যালয়ৰ ছাত্ৰাবাস আৰু ছাত্ৰীনিবাস সচৰাচৰ ভবাৰ দৰে আদ্দাৰ থলী নহয়। জ্ঞান, শিক্ষা আৰু জীৱন সম্পৰ্কে গভীৰভাবে জানিবলৈ এক মঞ্চও হৈ পৰিছে। কানৈ মহাবিদ্যালয় ডি চি ছাত্ৰাৱাসৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

---

। বৰদৈচিলা ।

# মানুহৰ বাবে এটা সপোনৰ পুলি



- ড° মৃদুল শৰ্মা
মুখ্য অধীক্ষক, ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাস
সমন্বয়ক, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষ

'ছাত্ৰানাং অধ্যয়নং তপঃ' বুলি এষাৰ আপ্তবাক্য আছে। পিছে অধ্যয়ন মানেনো কি? মই ভাবোঁ, জগতৰ যিকোনো এটা বিষয়, ঘটনা বা পৰিঘটনাৰ আদিৰপৰা অন্তলৈ জানিবলৈ অহৰ্নিশে কৰা যত্নই অধ্যয়ন। এই শব্দটোকে সাধাৰণভাৱে 'পঢ়া' বোলা হয়। অৰ্থাৎ অধ্যয়ন মানে কেৱল কিতাপৰ আখৰবোৰে দাঙি ধৰা তথ্যবোৰ পঢ়ি বুজিবলৈ বা মনত ৰাখিবলৈ কৰা যত্ন নহয়; তেনে যত্ন অধ্যয়নৰ এটা ক্ষুদ্ৰ অংশহে।

জগতখন ইমান বিশাল আৰু বিচিত্ৰ ঘটনা তথা বিষয়েৰে ভৰা যে এই সকলোখিনি জানিবলৈ আমাৰ জীৱনৰ সময়খিনি যথেষ্ট নহয়গৈ। এই কথাটো উপলব্ধি কৰি আদিম কালৰেপৰাই মানুহে নিজৰ নিজৰ অভিজ্ঞতাৰপৰা পোৱা জ্ঞানখিনি তথ্য হিচাপে লিখি থৈ গৈছে। অৱশ্যে সকলো তথ্য লিখি থৈ যোৱা বুলি ক'লে ভুল কোৱা হ'ব; কাৰণ বহু তথ্য মানুহৰ এচামৰপৰা আনচামলৈ পৰম্পৰাগতভাৱে বাগৰি আহি আছে। সি যি নহওক, একোজন লোকে আহৰণ কৰা তথ্য আন এজনে আহৰণ কৰিব পৰা সহজ পথটোৱেই হৈছে গ্ৰন্থ অধ্যয়ন। উদাহৰণ এটা মন কৰিব পাৰি। ধৰি লোৱা হ'ল, আমি খেতি-বাতিৰ বিষয়ে একো নাজানো। গছৰ গুটি আমি খাওঁ। সেই গুটি মাটিত পৰি পুলি গজা ঘটনাটো লক্ষ্য কৰি আমি স্থিৰ কৰিলোঁ যে আমি তেনেকৈয়ে খেতি কৰিম আৰু নিজে নিজৰ খাদ্য প্ৰস্তুত কৰিম। এনে অৱস্থাত আমি প্ৰথমে কি কৰিম? গছৰ গুটিবোৰ পাৰি গোটাম, নে মাটি চহাই গুটি ৰুবৰ উপযুক্ত কৰিম? গছৰ সকলো গুটি নগজে বুলিও আমি নাজানো। গুটি পূৰঠ হোৱা-নোহোৱা সম্পৰ্কেও আমাৰ জ্ঞান নাই। তেনেকৈ মাটিৰো যে বেলেগ বেলেগ চৰিত্ৰ আছে সেইটোও আমি নাজানো, কেনে মাটিতনো আমি গজাব খোজা গছজোপা গজিব সেইটোও নাজানো। গুটি পচোৱাৰ পাছত সেই ঠাইত যে সাৰ পানী দিব লাগে সেইটোও আমি নাজানো। এতিয়া মন কৰিবলগীয়া কথাটো হৈছে, নাজানো বুলি আমি বহি নাথাকোঁ। বিভিন্ন প্ৰকাৰে আমি যত্ন কৰিম মাটিত গুটিটো ৰাখি তাৰপৰা গজালি মেলাবলৈ। সেই গজালি ডাঙৰ কৰি পুনৰ গুটি লগা গছ হোৱাবলৈ আমি য়ত্ন কৰিম। কিন্তু এনেকৈ যত্ন কৰি কৰি সফল হোৱালৈ আমাৰ জীৱনৰ বহুতো মূল্যবান সময় পাৰ হৈ গুচি যাব। আদিম মানুহে খেতি কৰিবলৈ তেনেকৈয়ে শিকিছিল। কিন্তু এতিয়া আমি তেনেকৈ নিশিকো। আমি শিকিম খেতি বাতিৰ বিষয়ে জনা লোকসকলৰপৰা। তেনে লোক যদি আমাৰ বিচৰণক্ষেত্ৰৰ ভিতৰত নাথাকে তেন্তে আমি নিশ্চয় খেতি সম্পৰ্কে কৰবাত কিবা লিপিবদ্ধ নথি পত্ৰ আছে নেকি বিচাৰিম।

ওপৰৰ উদাহৰণটোৱেই আমাক শিকনি দিয়ে যে গ্ৰন্থৰ বুকুত মানুহে নিজৰ অভিজ্ঞতা, জ্ঞান লিপিৱদ্ধ কৰি ৰাখে। আমাৰ কাম হৈছে কিতাপৰ বুকুৰপৰা সেই জ্ঞান বিচাৰি উলিওৱা। এই কাৰ্যত বিদ্যালয়-মহাবিদ্যালয়ত আমাৰ শ্ৰদ্ধেয় শিক্ষকসকলে আমাক সহায়হে কৰি দিয়ে। পঢ়া আৰু তাৰ যোগেদি জ্ঞানৰ পোহৰ লাভ কৰাটো এজন ব্যক্তিৰ নিজে কৰিবলগীয়া কাম।

কিন্তু ডাঙৰ সমস্যাটো হৈছে, আমি সাধাৰণতে কম বয়সত পঢ়া-শুনা কৰি ভাল নাপাওঁ, খেলা-ধুলা, হাঁহি ফুৰ্তিৰ মাজতে জীৱনৰ সকলো সৌন্দৰ্য থকা বুলি ভাবোঁ। ভাল নাপাওঁ বুলিলে আচলতে ঠিক নহ'ব, আচলতে সৰহ সংখ্যকেই বেয়াহে পাওঁ। কিন্তু ক্ৰমে ক্ৰমে বয়স বাঢ়ি অহাৰ লগে লগে আমি উপলব্ধি কৰোঁ যে কম বয়সতে কিছুমান বিষয়ৰ জ্ঞান আহৰণ নকৰা বাবেই জীৱনৰ বিভিন্ন দিশত আমি আগ বাঢ়িব পৰা নাই। গতিকে, পঢ়া শুনা নকৰি উপায় নাই। এই কথাটোকে প্ৰতিজন সচেতন জ্যেষ্ঠ লোকে কণিষ্ঠক কয়। গতিকে,

যি কাৰণতে নহওক পঢ়িব যিহেতু লাগিবই, গতিকে পঢ়া কামটো নিজৰ ভাল লগা কামলৈ সলনি কৰিবই লাগিব। উপায় নাই। যদি মই পঢ়া কামটো ভাল পাওঁ, মোৰ কিতাপখিনিক ভাল পাওঁ তেন্তে কিতাপখিনিয়েও মোক ভাল পাব। যদি কিতাপৰ সৈতে মোৰ সম্পৰ্কটো বিৰক্তিকৰ আৰু শত্ৰুতাপূৰ্ণ হয় তেনেহ'লে জ্ঞানৰ জগতখনেও মোৰ সৈতে শত্ৰুৰ দৰেই আচৰণ কৰিব। কোনোবা এজন বিশ্ববিখ্যাত ফুটবলাৰে কৈছিল, তেওঁক সৰুতে ফুটবল খেলিবলৈ দিওঁতে হেনো তেওঁ খুব কান্দিছিল। কাৰণ বলটো গুৰিয়াওঁতে তেওঁ দুখ পাইছিল। পাছলৈ কিন্তু অৱস্থা ইমানেই সলনি হ'ল যে ফুটবলটোক বুকুত সাবটি ধৰি নাথাকিলে তেওঁৰ হেনো টোপনিয়ে নধৰা হ'ল। এতিয়া মন কৰিবলগীয়া কথা হৈছে, তেওঁ ভৰিত দুখ পাই যদি ফুটবল খেলা ত্যাগ কৰিলেহেঁতেন? পৃথিৱীয়ে এজন শ্ৰেষ্ঠ ফুটবলাৰ নাপালেহেঁতেন । সকলো কামতে কষ্ট আছে। কষ্ট নোহোৱা একো কাম জগতত নাই। কিন্তু কিছুমান মানুহৰ কাৰণে কষ্ট কৰাটো উপভোগ্য। যিসকলে কষ্টক উপভোগ কৰিব জানে তেওঁলোকেই নিজৰ উদ্দেশ্যত সফল হয়।

শিক্ষাৰ প্ৰকৃত উদ্দেশ্য চাকৰি বা আন জীৱিকাৰ উপায় গ্ৰহণ কৰিব পৰা হৈ ধন উপাৰ্জন কৰা নহয়। কিন্তু আমাৰ দেশখনৰ নিৰান্নবৈ শতাংশ মানুহেই শিক্ষালাভৰ উদ্দেশ্য জীৱিকাৰ উপায় উলিওৱা বুলিয়েই ভাবি লয়। অৱশ্যে যিহেতু আমাৰ দেশখনৰ সৰহ সংখ্যক মানুহেই আৰ্থিকভাবে দুখীয়া, গতিকেই শিক্ষা লক্ষ্য অৰ্জনৰ ফলস্বৰূপে জীৱিকাৰ পথ একে টাৰ সন্ধান কৰাত আচৰিত হ'বলগীয়া নাই। কিন্তু অকল চাকৰি কৰিয়েই মানুহ ধনী নহয়। মুম্বাইত এজন নাপিত আছে যিজনে বি এম ডব্লিউ গাড়ী লৈ নিজৰ চেলুনলৈ আহে। ই নিশ্চয় ভাবিলগীয়া কথা। তাৰ মানে মই কি কৰিছোঁ সেইটো বৰ ডাঙৰ কথা নহয়। ডাঙৰ কথা হৈছে কৰা কামটো মই কিমান মনোযোগেৰে কৰিছোঁ,কিমান নিজৰ ধৰণেৰে কৰিছোঁ, মই কৰা কামটোত কিমান নতুনত্ব সৃষ্টি কৰিব পাৰিছোঁ। যদি সকলোৱে কৰাৰ দৰেই মই কৰো তেন্তে মোৰ কাম মূল্যবান নহ'ব। কিন্তু একেটা কামকে যদি আন দহজনৰ লগত নিমিলা ধৰণেৰে কৰিবলৈ সক্ষম হওঁ তেনেহ'লে নিশ্চয় মই গুৰুত্বপূৰ্ণ মানুহ হৈ উঠিম। বাটৰ শিলগুটি বুটলি তাত ৰং সানি ছবিলৈ সলনি কৰি সেইবোৰ বিক্ৰী কৰি কোটিপতি হোৱা মানুহো আছে। তেনেদৰেই পেলনীয়া কাঠৰ টুকুৰাত ভাস্কৰ্য সৃষ্টি কৰা মানুহো আছে। আমাক শিক্ষাই বিভিন্ন পথৰ সন্ধান দিব। শিক্ষাই আমাক দেখুৱাব যে আমাৰ সন্মুখত অলেখ পথ মুকলি হৈ আছে। কোনটো পথেদি মই মোৰ জীৱনটো আগবঢ়াই নিম সেইটো মোৰ নিজা সিদ্ধান্ত হোৱা উচিত। কাৰণ সেই সিদ্ধান্তটো যদি আনৰ কথামতে লোৱা হয় আৰু শেষত যদি সেইটো পথত মই ব্যৰ্থ হওঁ তেন্তে আনক দোষাৰোপ কৰিব লাগিব। একেদৰেই, যদি মই সফল হওঁ তেন্তে তাৰ কৃতিত্ব দেখোন আনেহে পাব। এনে জীৱনৰ শুদ্ধ পথৰ সন্ধান কৰাত বিভিন্ন কিতাপৰপৰা লাভ কৰা জ্ঞানে আমাক আমি গম নোপোৱাকৈয়ে সহায় কৰে।

কিতাপৰপৰা আমি আন এক ধৰণেও লাভান্বিত হওঁ। মই বাৰু মহাপুৰুষ শঙ্কৰদেৱক লগ পাব পাৰিমনে। পোনপটীয়াকৈ ক'বলৈ হ'লে নোৱাৰোঁ। কিন্তু তেওঁ লিখি থৈ যোৱা কিতাপবোৰ যদি আমি আন্তৰিকতাৰে পঢ়োঁ তেন্তে তেওঁৰ সৈতে কথা পতাৰ নিচিনাই নালাগিবনে? অৱশ্যে এষাৰ কথা। শঙ্কৰদেৱ এন্ড্ৰয়ড্ ফোন আৰু ইন্টাৰনেটৰ যুগৰ লোক নাছিল। গতিকে তেওঁ লিখি থৈ যোৱা কিতাপসমূহতো বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ বিভিন্ন বিষয় বিচাৰিবলৈ গ'লে নহ'ব। তেনেকৈয়ে তেওঁৰ ৰচনাত ইংৰাজী শব্দ মিহলাই আজিকালি আমি কোৱা 'খিচিৰি অসমীয়া ভাষা" বিচাৰিলেও পোৱা নাযাব। লেখকজন কোন যুগৰ, কোন সমাজৰ কেনে লোক আছিল সেইটো হৃদয়ঙ্গম কৰিব নোৱাৰিলে বহু পুথি পঢ়ি তাত থকা ৰসৰ সম্ভেদ পোৱা নাযাব। একেদৰেই পৃথিৱীৰ বিভিন্ন সমাজৰ মানুহৰ অভ্যাস-আচৰণ, চিন্তা-অভিজ্ঞতা আদি সম্পৰ্কে জানিবলৈও আমাৰ হাতৰ কাষতে থকা একমাত্ৰ উপায় হৈছে কিতাপ পঢ়াটো ।

অৱশ্যে স্কুল কলেজত পঢ়াৰ পাছত সেইখিনি ভালদৰে পঢ়া হৈছেনেনাই তাৰ পৰীক্ষা লোৱাৰ ব্যৱস্থা আছে । বৰ্তমানে আমাৰ পৰীক্ষাৰ ব্যৱস্থাটো হৈছে এক নিৰ্দিষ্ট সময়ৰ ভিতৰত নিৰ্দিষ্ট মূল্যাংকৰ প্ৰশ্নৰে সমৃদ্ধ এখন প্ৰশ্নকাকতৰ উত্তৰ দিব লাগে। এই ব্যৱস্থাটোৰে যিসকল শিক্ষাৰ্থীয়ে অধিক মূল্যাংক লাভ কৰে সেইসকলকে ভাল ছাত্ৰ-ছাত্ৰী বোলা হয় । কিন্তু আচলতে পৰীক্ষাৰ নিৰ্দিষ্ট সময়-সীমাৰ ভিতৰত শিক্ষাৰ্থীৰ মেধা নিৰূপন কৰিব নোৱাৰি । এখন প্ৰশ্নকাকতৰ পৰীক্ষা হৈ থকা নিৰ্দিষ্ট সময়খিনিত সকলো শিক্ষাৰ্থীৰ মনোজগতখন একে সুস্থ অৱস্থাত নাথাকিবও পাৰে। [illegible]ৱা শিক্ষাৰ্থীয়ে হয়তো সেই সময়ত ভয়াবহ ঘৰুৱা সমস্যাৰ মুখামুখী হ'বলগীয়াতো পৰিব পাৰে। শাৰীৰিক ৰোগ ব্যাধিও হ'ব পাৰে। এনে বহু

কাৰণত বৰ্তমানে আমি মুখামুখী হোৱা পৰীক্ষা ব্যৱস্থাটো সঁচা অৰ্থত এটা দক্ষতাপূৰ্ণ ব্যবস্থা নহয়। তদুপৰি পৰীক্ষাৰ প্ৰশ্নোত্তৰৰ কাৰণে মেধাতকৈ বৃদ্ধি আৰু প্ৰত্যুৎপন্নমতিতাৰ প্ৰয়োজনহে অধিক। সেয়ে দেখা যায়, বহু চোকা ল'ৰাতকৈ মধ্যমীয়া বা পিছপৰা ল'ৰাই কেতিয়াবা ভাল ফল দেখুৱায়। এনেবোৰ কথালৈ লক্ষ্য ৰাখি আমি কেৱল পৰীক্ষাত ভাল নম্বৰ পোৱাৰ লক্ষ্য ৰাখি পঢ়িব নালাগে। গুৰুত্ব দিব লাগে জ্ঞান অৰ্জনতহে কেৱল নিজৰ পাঠ্যপুথিকে পঢ়ি কোনো জ্ঞানী হ'ব নোৱাৰে। পাঠ্যপুথিৰ পাঠসমূহৰ সৈতে সম্পৰ্ক থকা অন্যান্য বিভিন্ন ৰচনা পঢ়ি শিক্ষাৰ্থীয়ে নিজকে পাঠ্যক্ৰমতকৈ আগ বঢ়াই ৰাখিলে বিপদত পৰিবলগীয়া নহয় ।

বিভিন্ন বিষয়ৰ কিতাপ পিছে একে দৃষ্টিভঙ্গীৰে পঢ়িব নোৱাৰি। এখন উপন্যাস পঢ়াৰ ধৰণেৰে এখন ৰসায়ন বিজ্ঞানৰ কিতাপ পঢ়িব পৰা নাযায়। একেদৰেই উপন্যাস বা গল্প পঢ়াৰ ধৰণেৰে কবিতাও পঢ়িব নোৱাৰি। এনে অৱস্থাত কেনে কিতাপ কেনেকৈ পঢ়িব লাগিব এই প্ৰশ্নৰ উত্তৰো বিচাৰিবলগীয়া হয়। মৰ্টিমাৰ জে এল্ডাৰ আৰু চাৰ্লছ ভান ডৰেনৰ (Mortimer J. Elder and Charles Van Doren) এখন কিতাপ আছে — "হাও টু ৰীড এ বুক" (How to Read a Book)। এই কিতাপখনে বিভিন্ন বিষয়ৰ কিতাপ পঢ়াৰ ক্ষেত্ৰত আমাক পথনিৰ্দেশনা দিব পাৰে।

বৰ্তমানৰ যুগটোক তথ্য-প্ৰযুক্তিৰ যুগ বোলা হয় । সাম্প্ৰতিক পৃথিৱীত বিভিন্ন ক্ষেত্ৰত দৈনিক কমেও এক কোটি নতুন তথ্যৰ সৃষ্টি হয় যিখিনি মানুহে জনা উচিত। কিন্তু কোনো এজন লোকৰ কাৰণেই সিমানখিনি তথ্য জনাটো সম্ভৱ নহয়। আমি সেইবোৰ তথ্যৰ কথালৈ নগৈ আমাৰ পাঠ্যক্ৰম আৰু পঢ়ি ভাল লাগা নিজৰ ভাষাৰ সাহিত্যকে পঢ়াটো আমাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দায়িত্ব।

বহুতে অভিযোগ কৰে পঢ়িলেও বুজি নাপাওঁ দেখোন। এই অভিযোগটো যি কৰে তেওঁতকৈ এলেহুৱা লোক নাই বুলিয়েই মই ভাবো। আমি জীৱিত প্ৰাণী । জীৱিত প্ৰাণী হিচাপে আমিবোৰ একো একোটা ক্ৰমবৰ্ধমান প্ৰক্ৰিয়া। আৰু আমাৰ প্ৰতিপক্ষত থকা পাঠ্যক্ৰম আৰু অন্যান্য গ্ৰন্থৰ তথ্য-পাতিবোৰ ? সেইবোৰ জানো নিজে নিজে বাঢ়ি গৈ থাকে? নাথাকে।গতিকে সিহঁত মৃত তথ্য। আমি জীৱিত প্ৰাণী হৈ সেই মৃত তথ্যকেইটাক পৰাস্ত কৰিব, মানে বুজি উঠিব নোৱাৰিমানে? আমি কৰিলেই সেইখিনি হৃদয়ঙ্গম কৰিব পাৰে। কেৱল সকলো বিষয় আৰু সকলো গ্ৰন্থৰ ক্ষেত্ৰত সমান কাষ্ট কৰিলে আমি সফল নহ'ম। একোখন কিতাপ বুজি পাবলৈ আন দহখন কিতাৰ পঢ়িবলৈ সাজু থকা জনেহে জ্ঞান সাগৰত স্নান কৰিব পাৰে ।

এইখিনিতে ঘটনা এটা মনত পৰিছে । মোৰ এজন শিক্ষাগুৰুৱে স্কুটাৰ এখন কিনিছিল। তেখেতে সেইখন চলাব নজনাৰ কাৰণে কিনাৰ দিনা তেখেতৰ বন্ধু এজনে দোকানৰপৰা আনি স্কুটাৰখন ঘৰত থৈ গৈছিলহি। ছাৰে আনৰ স্কুটাৰ চলাবলৈ শিকা নাছিল, তেখেতে ভাবিছিল যে নিজাকৈ এখন কিনিহে তেখেতে স্কুটাৰ চলাবলৈ শিকিব। পিছে সেইখন নিজাকৈ হোৱাৰ বাবে চলাবলৈ ছাৰে সাহস কৰিব নোৱাৰিলে। কেৱল সদায়ে মচি-কাচি সেইখন চাফ-চিকুণ কৰি ৰখাটোৱেই হ'লগৈ তেখেতৰ কাম। এনেদৰেই চৈধ্য বছৰ পাৰ হ'ল। এদিন ছাৰে ভাবিলে যে স্কুটাৰখন চলোৱা নহয় যেতিয়া বিক্ৰী কৰি দিয়া হওক। গ্ৰাহক আহিল। ছাৰে স্কুটাৰৰ চাবিটো গ্ৰাহকক দি চলাই চাবলৈ ক'লৈ। কিন্তু বহু যত্ন কৰাৰ ফলতো স্কুটাৰখনৰ ইঞ্জিনটো চলাব পৰা নগ'ল। গ্ৰাহক ঘূৰি গ'ল। তাৰ পাছত ছাৰে মেকানিক এজন মাতি আনিলে। মেকানিকে স্কুটাৰখন খুলি-মেলি চাই ক'লে যে সেইখন চলাব পৰা নাযাব । কাৰণ নচলোঁতে নচলোঁতে স্কুটাৰখনৰ ইঞ্জিনটো একেবাৰে বেয়া হৈ থাকিল। ছাৰে ক'লে যে সেইখন নতুন স্কুটাৰ, কিনা দিনাৰপৰা চলোৱাই হোৱা নাই। মেকানিকজনে উত্তৰ দিলে যে এদিনো নচলোৱাকৈ থৈ দিয়া কাৰণেই স্কুটাৰখন এতিয়া আৰু নচলে। শেষত তেখেতে স্কুটাৰখন ভগা-ছিগা বস্তুৰ ব্যৱসায়ীক বিক্ৰী কৰি দিবলগীয় অৱস্থা হ'ল।

আমাৰ মগজুটোও সেই স্কুটাৰখনৰ নিচিনা। কেৱল শৰীৰটো ধুনীয়াকৈ ৰাখি মগজুত মামৰ লাগিবলৈ দিলে আমাৰো অৱস্থা ছাৰৰ সেই স্কুটাৰখনৰ নিচিনা হ'ব।

আমাৰ বিদ্যালয়-মহাবিদ্যালয়বোৰৰ বিজ্ঞান আৰু গণিত কিতাপত কিছুমান জটিল ধৰণৰ সূত্ৰ আছে। শিক্ষাৰ্থীসকলে প্ৰায়েই অভিযোগ কৰে যে, সেই সূত্ৰবোৰ দেখোন আমাৰ দৈনন্দিন জীৱনটোত

দৰকাৰেই নহয়। তেনেহ'লে সেইবোৰনো জনাৰপৰা আমাৰ লাভ কি? এই প্ৰশ্নৰ উত্তৰ বিচৰাটোও এটা গুৰুত্বপূৰ্ণ কাম। এইখিনিতে পুনৰ এটা প্ৰশ্নঃ পৃথিৱীৰপৰা চন্দ্ৰলৈ দূৰত্ব কিমান? তিনি লাখ কিলোমিটাৰতকৈ অকণমান কম। এতিয়া আকৌ প্ৰশ্নঃ কোনে কেনেকৈ পৃথিৱী আৰু চন্দ্ৰৰ দূৰত্ব জুখি উলিয়ালে প্ৰায় তিনি লাখ কিলোমিটাৰ দীঘল ফিটা এডালৰ এটা মুৰ হাতেৰে ধৰি পৃথিৱীৰ পৰা কোন গৈছিল এই দূৰত্ব জুখিবলৈ ? কোনো যোৱা নাছিল। তেন্তে কেনেকৈ জনা গ'ল এই দূৰত্ব? অকল এই অংকৰ যোগেদিয়েই। গতিকে বিষয়টো বৰ জংক-পংক যেন লাগিলেও ই বৰ উপকাৰী বিষয়। আমাৰ কম্পিউটাৰ বোলা যন্ত্ৰবিধে অকল শূন্য আৰু এক কেৱল এই দুটা অংকৰ যোগেদিয়েই সকলো কাম কৰে। গতিকে, অংক বোলা বিষয়টোৰ এনে সম্ভাবনা আৰু ৰসৰ দিশটোলৈ শিক্ষাৰ্থীসকলৰ দৃষ্টি আকৰ্ষণ কৰি তেওঁলোকক তাৰ ৰস গ্ৰহণ কৰিবলৈ শিকালে সি নিশ্চয় এটা উপভোগ্য বিষয় হৈ উঠিব ।সাম্প্ৰতিক সময়ত শ্ৰীলংকাৰ নিম্না হিৰণ্য নামৰ এজনী এঘাৰ বছৰীয়া ছোৱালীয়ে অংক বিষয়টো যে অতিকৈ আকৰ্ষণীয় তাকে প্ৰমান কৰিছে । ইতিমধ্যে ছ'চিয়েল মেডিয়া যোগে গণিত শাস্ত্ৰত নিম্নাৰ অপূৰ্ব দখলৰ বিভিন্ন ভিডিঅ প্ৰচাৰ হৈ আছে।

এইখিনিতে আমাৰ জীৱনৰ সৈতে জড়িত তিনিটা শব্দৰ কথা কব খোজোঁ — ঘটনা, দুৰ্ঘটনা আৰু পৰিঘটনা । এই শব্দ তিনিটাৰ অৰ্থ একে নে বেলেগ ভাবি নোচোৱাকৈয়ে আমি খেলিমেলিকৈ শব্দকেইটা ব্যৱহাৰ কৰি থাকোঁ। ঘটনা হৈছে যিবোৰ স্বাভাবিকতে ঘটিবলগীয়া কাৰণে ঘটি থাকে। যেনে মানুহ এজন টুকাল, মোৰ টোপনি ধৰিলে মই শুই পৰোঁ আদি। আনহাতে কিছুমান নঘটিবলগীয়া ঘটনাও ঘটে। উদাহৰণ হিচাপে : ঘৰৰপৰা ওলাই গৈছিলোঁহে, মোক গাড়ী এখনে খুন্দিয়াই পেলাই থৈ গ'ল। এইটো দুৰ্ঘটনা অৰ্থাৎ বেয়া বা অবাঞ্ছনীয় ঘটনা। আকৌ আমি নিয়মীয়াকৈ কিছুমান ঘটনা ঘটা দেখি থাকোঁ আৰু সেইবোৰৰ সৈতে অভ্যস্ত হৈ পৰোঁ। এনে ঘটনাবোৰত আমি নিজে সম্পৰ্কিত নহওঁ যদিও আমাৰ ওপৰত এনে ঘটনাবোৰৰ প্ৰভাব সুদূৰপ্ৰসাৰী । এনেবোৰকে পৰিঘটনা বোলা হয়। যেনে পৃথিবীৰ কোনো এখন ঠাইৰপৰা আমি সদায়ে সুৰ্যোদয় আৰু সূৰ্যাস্ত হোৱা দেখি আহিছোঁ। একেদৰে সূৰ্য জিলিকি থকা সময়ত আকাশত জোন তৰা অদৃশ্য হৈ থকা, পোহ্মৰ দিনৰ মুৰে মুৰে চন্দ্ৰৰ ৰূপৰ পৰিৱৰ্তন ঘটা, বাৰিষা বৰষুণ দিয়া আৰু খৰালি জ্বাৰ লগা আদি পৰিঘটনাৰ উদাহৰণ।

এই ঘটনা, দুৰ্ঘটনা আৰু পৰিঘটনাৰ বিষয়ে উল্লেখ কৰাৰ কাৰণ হৈছে, কেৱল কিতাপৰ জ্ঞানৰ আধাৰতে মানুহ জ্ঞানী হৈ উঠিব নোৱাৰে। শীতাতপ নিয়ন্ত্ৰিত কোঠাত বহি সাহিত্যৰ কিতাপ পঢ়ি দুখী মানুহৰ দুখ বা ভোকাতুৰৰ ভোক উপলব্ধি কৰিব নোৱাৰি। একেদৰেই কেৱল কিতাপ পঢ়াৰ যোগেদি প্ৰকৃতিৰ সৌন্দৰ্য বা ভয়াবহতাও উপলব্ধি কৰিব নোৱাৰি। এনেকৈ কিতাপৰ জ্ঞানেৰে জ্ঞানী শল্যচিকিৎসাৰ সৰ্বশ্ৰেষ্ঠ ছাত্ৰজন ভাল শল্যচিকিৎসক হৈ নুঠাটো খাটাং। কাৰণ ব্যৱহাৰিক জ্ঞানৰ ক্ষেত্ৰত তেওঁ দিবলগীয়া সময়ত গুৰুত্ব নিদিলে। এনে উদাহৰণৰ যোগেদি এই কথাকে ক'ব খুজিছোঁ যে কিতাপৰ উপৰি চাৰিওফালৰ মানুহৰ সমাজ, গছ-লতা-নৈ-আকাশ সম্বলিত প্ৰকৃতি আদিও মানুহৰ অধ্যয়নৰ ভিতৰুৱা হ'ব লাগে।

আমাৰ চৌপাশে থকা জগতখন খুব আকৰ্ষণীয় আৰু ধুনীয়া। এই ধুনীয়া জগতখন লক্ষ্য কৰিব জানিলে আমি সুখী হোৱাৰ পথ বিচাৰি পাব পাৰিম। সত্যনাথ বৰাদেৱে লিখি থৈ গৈছে যে, পৃথিৱীখনেই এখন বৃহৎ কিতাপ। এইখন কিতাপ পঢ়িব জনাসকল পৰম ভাগ্যৱান। পিছে বহু যত্ন কৰিহে পৃথিৱী-পুথিৰ পাঠ আহৰণ কৰিব পাৰি। বিশ্বপুথিৰ পাঠবোৰ কেনেকুৱানো ? গছ এজোপাৰ গুটিৰপৰা আন এজোপা গছ গজে । ডাঙৰ গছজোপাই পুলিটোক বাৰু কাহানিবা বাধ দিয়ে জানো। 'তই ডাঙৰ নহবি। হলেও মোৰ ফালে বাঢ়ি নাহিবি' ধৰণে? নিদিয়ে। একোজোপা ডাঙৰ গছত কত যে নাম জনা নজনা সৰু সৰু গছে আশ্ৰয় লয় । অৰ্থাৎ পৃথিৱীৰ শিক্ষা হৈছে শান্তিপূৰ্ণ সহ অৱস্থানৰ শিক্ষা। এই শিক্ষা জীৱ-জন্তু সকলোৱে মানি চলে। কিন্তু দুখৰ কথা, মানুহ নামৰ প্ৰাণীবিধে নিজকে জীৱশ্ৰেষ্ঠ বুলি দাবী কৰিলে কিটো হ'ব — প্ৰকৃতিৰ শিক্ষণৰ বিৰুদ্ধেহে মানুহে কাম কৰে। ফলত পৃথিবীখনৰ অনিষ্ট হৈছে। সাপে বাৰু মানুহক দেখিলেই খোটে নেকি। মানুহে কিন্তু সাপ দেখিলেই খেদি খেদি মাৰিব খোজে। এইবোৰ জানো প্ৰকৃতি-পুথিৰ পাঠ? আন এটা ভয়াবহ দিশৰ ফালেও আমি লক্ষ্য কৰা উচিত : মানুহে নিজৰ মঙ্গলৰ কাৰণে জীৱ-জন্তুক বিনা কাৰণত হত্যা কৰে। কল্পিত দেৱতাৰ সন্তুষ্টিৰ অৰ্থে মানুহে হাঁহ-ছাগলী আদি বলি দিয়াৰ কথা [illegible] পঢ়িবলৈ পায়ে থাকো । মানুহৰ বাহিৰে আনবোৰ জীৱৰ কিন্তু কোনো দেৱ-দেৱতা, ঈশ্বৰ আদি নাই। তাৰ কাৰণে সিহঁতৰ কোনো অসুবিধাও

হোৱা নাই দেখোন। মানুহে নিজকে জীৱশ্ৰেষ্ঠ বুলিও কয় আৰু ভগৱান একোজন সৃষ্টি কৰি লৈ অৱলম্বনতে আনৰ কৰিও থাকে। এইবোৰ প্ৰকৃতিৰ পাঠ নহয়।

এতিয়া একেবাৰে চূড়ান্ত ভয়াৱহ কথাটো কৈ সামৰিব খুজিছোঁ। কথাটো হ'ল মানুহে মানুহক হত্যা কৰা বা আন প্ৰকাৰে অন্যায় কৰাটো। বাঘে ভোক লাগিলে কিবা মাৰি খায়, কাৰণ প্ৰাকৃতিকভাৱে মাংসভোজী জীৱ। কিন্তু বাঘে কেতিয়াও বাঘক নামাৰে। একেদৰে কুকুৰবোৰে কেংকেঙাই কাজিয়া লাগিলেও ইটোৱে সিটোক হত্যা নকৰে। মানুহে মানুহক হত্যা কৰাটো যেন এটা তেনেই সাধাৰণ কথা হৈ পৰিছে। বিভিন্ন উপায়েৰে মানুহ মাৰিবলৈ নতুন নতুন যন্ত্ৰ-পাতি তৈয়াৰ কৰিব ধৰিছে মানুহে আৰু নৰহত্যাৰ হিচাপে প্ৰচাৰ কৰি মানুহেই পইচাও ঘটিছে। নিশ্চিতভাৱে মানুহ জাতিটোৰ কাৰণেই লাজৰ কথা।

মানুহ নামৰ প্ৰাণীবিধে নিজৰ আচৰণ পৰিৱৰ্তন নকৰিলে তোমালোক ডাঙৰ হৈ যিখন পৃথিৱীত বাস কৰিবৰ্গে লাগিব, পৃথিৱীখন কিন্তু এতিয়াতকৈও ভয়াৱহ হ'ব যেন লাগিছে। কাৰণে আমাৰ নতুন পুৰুষ দৃঢ়ভাবে সংকল্পবদ্ধ হ'ব লাগিব এই বুলি যে—

(ক) আমি জগতখনক ভালকৈ জানিবৰ যিমান পাৰোঁ সিমান পঢ়া শুনা কৰিম।
(খ) প্ৰকৃতি আৰু পৃথিৱীৰ অপকাৰ হোৱা কোনো কামেই আমি নকৰোঁ।
(গ) যুক্তিৰে বিৱেচনা কৰি চাই যিটো শুদ্ধ বুলি বুজোঁ সেইটোহে আমি কৰিম।
(ঘ) কোনোবা জ্যেষ্ঠজনে ক'লে বুলিয়েই অন্যায় কাম একোটাত আমি অংশগ্ৰহন নকৰোঁ।
(ঙ) আমি কেৱল নিজৰ লাভৰ বাবে আনৰ অনিষ্ট হব পৰা কাম কৰিবলৈ কাকো প্ৰভাৱান্বিত নকৰোঁ।

পৃথিৱীখনৰ মঙ্গলৰ কাৰণে আমি এইখিনি কৰিবই লাগিব।

---

। বৰদৈচিলা।

# বেবেৰিবাং



- ড°অনন্ত কুমাৰ দত্ত
শৈক্ষিক সমন্বয়ক
ডিঃহঃ সুঃ কানৈ মহাবিদ্যালয়

কেইদিনমানৰ পৰা মনটো খেলিমেলি । যি কাম মোৰ পক্ষে সম্ভৱ নহয়, সেইটোকে হ'ব বুলি নভবা নিচিন্তাকৈ কৈ দিলোঁ। এতিয়া কথাটো কোৱাৰ পিছত নহ'ব বুলি ক'বলৈ বৰ অসুবিধাত পৰিছোঁ । মই গণিতৰ শিক্ষক, সেয়েহে গণিতৰ ভাষাতে সমস্যাটো সামাধান কৰিম বুলি কেইবাদিনো কেইবাবাৰো টেবুলৰ সন্মুখত বহিছো । নাই কিবা ভাবো কিবা ওলাইগে। ছে:। কি কৰা যায় ? এদিন ভাবি থাকোঁতে শ্ৰীমতীয়ে মাত দিলেহি — কি হ'ল হে'ৰা কেইদিনমানৰ পৰা তোমাক অলপ বেলেগ পাইছো। কিবা চিন্তাত বিভোৰ হৈ থক যেনে পাওঁ। কি হৈছেনো।

— এ নকবা বুইছা স... ম... স্যা.. এটাত পৰিছোঁ। সকলোকে ক'বও নোৱাৰি। এ বাদ দিয়াঁ, তুমি এইবোৰত কাণ নিদিবা । হ'ব। কিবা এটা হ'ব। যোৱাঁ চাহ একাপকেই লৈ আহাঁগে। অলপ পাছত শ্ৰীমতীয়ে চাহ একাপ হাতত দি পুনৰ একেই মিনতি — হেৰা তোমাৰ মই অৰ্ধাংগিনী নহওঁ জানো, কোৱাঁচোন কোৱাঁ, মোকে নকৈ নো ক'বা কাক ! পূৰা চেন্তি ফালিলেহি, মনতে ভাবিলোঁ এতিয়া শেনৰ এজাক। ক'লেও বিপদ নক'লেও বিপদ। বাৰু যি হয় হ'ব দেখা যাওক। হে'ৰা শুনা......

— অ' কথা সেইটোহে। তুমিও আৰু দেই। এইটো সমস্যাৰ বাবে ইমান চিন্তিত হ'ব লাগেনে। সেইবোৰ একেবাৰে সাধাৰণ কথা বুজিছা । সদায় দেখোন দেখিয়ে আছোঁ।

— হয়। মই দীঘলকৈ হামি এটা মাৰি সুধিলোঁ — কি সাধাৰন কথা হে, এইকেইদিন মোৰ পেটত ভোক নাই, চকুত টোপনি নাই একেবাৰে চিন্তাত লেবেজান হৈ গৈছোঁ, তুমি আকৌ কৈছা সাধাৰণ কথা। কোৱাঁচোন কোৱাঁ। শ্ৰীমতীয়ে এফালৰ পৰা কৈ গ'ল— হে'ৰা চোৱাঁ, মানুহৰ জীৱনলৈ এনে সুযোগ সুবিধা বাৰে বাৰে নাহে। তুমি পাইছা, সকলোৱে নাপায় নহয়। গতিকে পাবা চৰাই ভাঙিবা পাখি— বুজিছা । সুযোগ কিন্তু নেহেৰুৱাবা দেই।

শুনাই দিলে নহয় সতৰ্ক বাণীষাৰ। অৱশ্যে কথাটো ময়ো নভবা নহয়। সেয়েহে একান্ত ভকত সবে, নিৰ্গুণ কৃষ্ণ গুণ গাৱে সদা বসিয়া যথাত বুলি একান্ত হৈ ভাবিলোঁ। মানৱ জীৱনটোত এইবাৰেই কিবা এটা কৰিবই লাগিব। ভাবি থাকোঁতেই কাকতালীয়ভাবে মনত পৰিল চাকৰি জীৱনত লগ পোৱা এজন বন্ধুৱে সততে শুনাই থকা এটা কথা —"হেৰৌ, জীৱনটো যাপন কৰাতকৈ উদ্‌যাপন কৰ বুইছ। জীৱনটো উদ্‌যাপন কৰাৰ বাবে মই কিমান মান-সম্মান-পুৰস্কাৰ পাইছোঁ দেখিছ। কিটিপটো শিকি ল আৰু লাগি যা ।"

— হয়তো। কথাটো আজিকালি আগৰ যুগ নাই। এয়া হৈছে ৰৌটোকে টৌটো কৰা যুগ। তিলটোকে তালটো কৰাৰ যুগ। ফে'চবুক, টুইটাৰ,মেছেঞ্জাৰ, আৰ্টিফিচিয়েল ইণ্টেলিজেঞ্চ, ৰবটিক টেকন'লজিৰ যুগ। আজিকালি মেডিয়াৰ বাবে টি আৰ পিৰ যুগ। আৰু নিজৰ ঢোল ফাটি যোৱালৈকে নিজে বজোৱাৰ যুগ। সেয়েহে ময়ো ঠিৰাং কৰিলোঁ। ময়ো নিজৰ ঢোলটো বজাই বজাই নফটালৈকে টি আৰ পি গোটাই নামৰ আগে পিছে বিশেষণ লগাই জীয়াই থাকোঁতেই প্ৰতিমূৰ্তি এটা কিবাকৈ ক'ৰবাত ৰাখি থৈ যাব পাৰিলেই আহিছে মানুহ গৈছে মানুহ নহৈ থাকি গ'ল বীণাখনি অমিয়া সুৰৰ হ'ব।

— ছাৰ, সোমাব পাৰোনে ?
— অ, চাণক্য আহাঁ ।
চাণক্য মানে আমাৰেই ছাত্ৰ । ৰাজনীতি বিজ্ঞান বিভাগৰ। ডিম্বেশ্বৰ চলিহা ছাত্ৰাৱাসত থাকে। সকলোতে বৰ আগৰণুৱা ছাত্ৰ। খেলা-ধূলা, নাচ-গান ইত্যাদিতো পাৰ্গত। নাটকো ভাল কৰে। পুৰস্কাৰো পাইছে।

— কোৱাঁ চাণক্য, কি কামত আহিলা।
— ছাৰ, আপোনাৰ ওচৰলৈ আহিলোঁ এক বিশেষ এটা প্ৰস্তাৱ লৈ।

— কোৱা।
— মানে, ছাৰ আমাৰ ছাত্ৰৱাসাৰ পৰা এখন আলোচনী উলিয়াবলৈ বিচাৰিছোঁ। আপোনালোক আমাৰ পথ প্ৰদৰ্শক, গতিকে ছাৰ আপোনাৰ পৰা আলোচনীৰ বাবে লেখা এটা বিচাৰিছোঁ। লেখা এটা দি আলোচনীখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিব বুলি আশা কৰি আপোনাৰ ওচৰলৈ আহিছোঁ। নিৰাশ নকৰিব ছাৰ।

— হে'ৰা চাণক্য, মই লেখক নহয় বুজিছা মোৰ এই ক্ষেত্ৰত অভিজ্ঞতা একেবাৰেই নাই। মুখেৰে কিবাকিবি কওঁ যদিও লিখিবলৈ বহিলে কলমৰ আগেদি কিবা বেবেৰিবাং কথাবোৰহে ওলায়। গতিকে নোৱাৰিম বুজিছা !

—নহয় ছাৰ আপুনি যি লিখে সেয়ে হ'ব। সেয়ে আমাৰ বাবে বহুত। লেখা বেছি পোৱা নাই। বহুতকে অনুৰোধ কৰিছো। গতিকে আপুনি নিৰাশ নকৰিব। কিবা এটা হ'লেও আমাক দিবই লাগিব।

— হুমুনিয়া এটা কাঢ়ি চাণক্যক বাৰু হ'ব দিয়া বুলি সৰুকৈ আশ্বস এটা দি পঠালোঁ।

তাৰ পাছৰ পৰাই মোৰ ফাট দিয়া বসুমতী পাতালে লুকাওঁ হেন অৱস্থা। অৱশেষত শ্ৰীমতী আৰু বন্ধুৰ উৎসাহত মনটো ডাঠ কৰি বুকুখন ফুলাই পোনছাতেই ঠিক কৰিলো যে মই এইবাৰ বেবেৰিবাং লিখক নে লেখক হমেই। য'ত নেকি মই টি আৰ পি গোটাব পাৰিম আৰু নামৰ আগতেই হওক বা পিছতেই হওক লিখিব পাৰিম 'বেবেৰিবাং লেখক'।

---

# হোষ্টেলত থাকি অধ্যয়ন কৰা ছাত্ৰৰ কৰ্তব্য



— মানৱজিৎ শইকীয়া,
ছাত্ৰাধ্যক্ষ
ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাস

পোনপটীয়াকৈ ছাত্ৰৰ কৰ্তব্য বুলি ক'লে ছাত্ৰসকলে ভালদৰে পঢ়া-শুনাত মনোযোগ দি পৰীক্ষাত ভাল ফলাফল দেখুৱাব পৰা কথাটোকে আমি বুজোঁ। এই কথা মানি লৈও আমি এটো স্বীকাৰ কৰিব লাগিব যে পাঠ্যপুথিৰ জ্ঞান আহৰণৰ উপৰি ছাত্ৰসকলৰ আৰু বহুতো কৰ্তব্য আছে। সেই কৰ্তব্যসমূহ নিয়াৰিকৈ মানি চলি যিসকলে শৃঙ্খলাৱদ্ধভাৱে নিজৰ জীৱনটো আগুৱাই নিয়ে, তেওঁলোকেই জীৱনত সফলতা অৰ্জন কৰিব পাৰিব বুলি বিশ্বাস কৰিব পাৰি ।

নিজৰ মা দেউতাই যিখিনি আশা কৰি হোস্টেলত থাকি পঢ়াৰ সুবিধা দিছে, তেওঁলোকৰ সেই আশা পূৰণ কৰাটো ছাত্ৰৰ প্ৰথম কৰ্তব্য। ইয়াৰ পাছতে তেওঁলোকে গুৰুত্ব দিয়া উচিত কেনেকৈ নিজকে সমাজৰ এগৰাকী লাগতিয়াল ব্যক্তি হিচাপে গঢ়ি তুলিব পাৰি, তাৰ বাবে যত্ন কৰাত। কাৰণ, ভৱিষ্যতৰ সমাজখন, ৰাজ্যখন বা অঞ্চলটো তেওঁলোকৰ বাবে বৈ থাকে যোগ্য মানৱ সম্পদ পোৱাৰ আশাত ।

ঘৰৰ আৱদ্ধ পৰিৱেশৰ পৰা আহি এটা মুকলি পৰিৱেশ পোৱা বুলি ভাবি বহুতে নিজৰ অমূল্য সময় অদৰকাৰী কামত খৰচ কৰে, যাৰ বাবে পিছত পস্তাবলগীয়া হয়। এইটো যাতে নহয়, তাৰ বাবে নিজৰ দায়িত্ব নিজে লোৱাটোও ছাত্ৰৰ মুখ্য কৰ্তব্য।

ছাত্ৰ জীৱনৰ সফলতা নিৰ্ভৰ কৰে সু-স্বাস্থ্যৰ ওপৰত। গতিকে স্বাস্থ্যৰ উপযুক্ত যত্ন লোৱাটো ছাত্ৰৰ অন্য এটা মুখ্য কৰ্তব্য। ইয়াৰ বাবে সোনকালে শুই সোণকালে উঠা, ব্যায়াম আৰু খেলা-ধূলা কৰা, কেৱল মাত্ৰ শৰীৰ সুস্থ ৰাখিব পৰা খাদ্যহে গ্ৰহণ কৰা, ৰাগীয়াল বস্তুৰ পৰা দূৰত থকা, বাহিৰা কিতাপ পঢ়া, সামাজিক আৰু সাংস্কৃতিক কামৰ লগত জড়িত থকা আদি উল্লেখযোগ্য প্ৰচেষ্টা।

প্ৰতিজন ব্যক্তিৰে সৰু বৰ কামবোৰ লগ লাগিয়ে এখন সমাজৰ প্ৰতিচ্ছবি অংকন হয়। ঠিক সেইদৰেই প্ৰতিজন ছাত্ৰই কৰা কামৰ ওপৰতে ছাত্ৰাবাস একোটাৰ ভাল বা বেয়া হিচাপে মূল্যায়ন হয়। গতিকে ছাত্ৰসকলে এইটো মনত ৰখা উচিত যে হোষ্টেল হৈছে তেওঁলোকৰ দ্বিতীয় ঘৰৰ নিচিনা। ইয়াত দাগ লাগিবলৈ নিদিয়াটোও ছাত্ৰৰ অন্যতম কৰ্তব্য।

---

# অনুভৱৰ সিপাৰে মোৰ হোষ্টেল



-প্ৰাঞ্জল দাস
প্ৰাক্তন আৱাসী
ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাস

প্ৰাঞ্জলদা কিবা এটা লিখক । হোষ্টেলৰ আলোচনী এখন উলিয়াবলৈ আগবাঢ়িছো। চাণক্য (বৰ্তমান হোষ্টেলৰ আৱাসী)ৰ মাতষাৰ শুনি আকৌ উভটি চোৱাৰ বাট এটা বিচাৰি পালো। ভাবি শেষ কৰিব নোৱাৰা এসোপামান স্মৃতি লৈ ওলাই অহা ঘৰখনলৈ, পৰিয়ালটোলৈ আজি মনত পৰিব ধৰিলে । ভাল দিনবোৰৰ স্মৃতিবোৰে ৰিঙিয়ালে।

দেৱদাৰু গছেৰে আবৰি থকা চৌপাশটোত জ্ঞানৰ উজ্জ্বল জোতিষ্ক বিচাৰি আৰম্ভ হল মোৰ কলেজীয়া জীৱন। নতুন পৰিচয় "কানৈয়ান" ।কলেজত নামভৰ্তি কৰা দিনৰে পৰা দেখি আছিলো, বন্ধ হৈ থকা হোষ্টেলটো। নাম তাৰ "ভূত বাংলা" দিনতে নোসোমাই কোনো। অৱশ্যে প্ৰথম ৰোমটো কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়ৰ অফিচ আৰু আন এটা ৰোম কলেজৰ কিবা কামত ব্যৱহৃত। আনবোৰ ৰোম চোৱাৰ সাহস কোনো দিন নহল। কেন্টিনলৈ গলে কৌতুহলী মনটো সাৰ পাই উঠে। হোষ্টেল বন্ধ হোৱাৰ কাৰণবোৰ জানিবলৈ মন যায়। কাণবাগৰা দুই এক কথা শুনিবলৈ পাওঁ, কিন্তু প্ৰকৃত কাৰণটো গমকে নাপালোঁ। দিনতে মানুহ সোমাবলৈ ভয় কৰা হোষ্টেলটো কিমানজনৰ সুখ-দুখৰ সাক্ষী হৈ আছে সেই কথা কেন্টিনত বহি হোষ্টেললৈ চকু ফুৰালেই মনলৈ আহে। কাৰোবাৰ কলেজীয়া জীৱনৰ কেইবাটাও বসন্ত পাৰ হোৱা হোষ্টেলটো এনেকৈনো বন্ধ হৈ যাব পাৰেনে ? ভাবিলে আচৰিত লাগে। উত্তৰ বিচাৰি নোপোৱা নানান প্ৰশ্ন বুকুৰ মাজত ৰাখি কলেজীয়া জীৱনৰ এবছৰ শেষ হল ।

তৃতীয় ষান্মাসিকৰ ক্লাছ আৰম্ভ হল। দেবদাৰু নগৰীত আন এজাক নতুন পখীৰ আগমন। সেই সময়তে কাণত পৰিল কলেজৰ হোষ্টেলটো আকৌ খুলিব। কি আনন্দ! নতুন প্ৰিঞ্চিপাল ছাৰে বইছ হোষ্টেলটো চাফ-চিকুণ কৰিবলে NCC ল'ৰাবোৰৰ সহায় লৈছে। সময় লাগিব, কিন্তু কাণ বাগৰি আহি পৰা কথাটো ১০০% সচাঁ। গীত-মাত, চিঞৰ-বাখৰে গুমগুমাই থকা হোষ্টেলটোৱে আকৌ প্ৰাণ পাই উঠিব। এটা পৰিয়াল সৃষ্টি কৰিব। নিৰৱে কাৰোবাৰ বাবে ৰই থকা প্ৰাণহীন হোষ্টেলটোৱে হাঁহিব, কান্দিব,গান গাব, চিঞঁৰিব ।

নভবাকৈয়ে ভাল দিনবোৰ আহে। মইয়ো ভবা নাছিলো, এই হোষ্টেলৰ এজন সদস্য হোৱাৰ কথা। মনলৈ নহাটো স্বাভাৱিক। বন্ধ হোষ্টেল। ভাল দিনটো আহিল। হোষ্টেলৰ প্ৰ-পত্ৰ দিছে। ৰোমমেট অৰুনাভ (Geography Dept ) আৰু মই দুখন ফৰ্ম লৈ নিৰ্দিষ্ট সময়ত হোষ্টেলৰ এডমিশ্বন কৰিলো । তিনিবছৰে থকা চিৰিং চাপৰিৰ ৰোমটো এৰি হোষ্টেলৰ আৱাসী হম। অৱশ্যে ইয়াৰ আগতে হোষ্টেলটো চাবলৈ গলো । বাহিৰৰ পৰা দেখি থকা ঘৰটোৰ ভিতৰলৈ সোমাই গলো। মানুহ নথকা ঘৰ এখনৰ অৱস্থা সোমায়েই অনুভৱ কৰিলোঁ। দুজন থকাৰ বাবে ৰোম একেবাৰে কম; প্ৰায়বোৰ ৰোম এজনৰ বাবে বনোৱা হৈছিল। ওপৰলৈ উঠি গলো। হঠাতে কাৰোবাৰ মাত আহি কাণত পৰিল। আগবাঢ়িলো। কেইজনমান লৰা ওলাই আহিলে। কলেজত কোনো দিন নেদেখা ল'ৰাকেইটা দেখিয়েই অনুভৱ কৰিলোঁ, সিহঁত নতুন। কথা পাতি গম পালো আটাইকেইটা HS 1st Yearৰ ছাত্ৰ। ঢকুৱাখানা, শিৱসাগৰ ফালৰ। আচৰিত লাগিল, সম্পূৰ্ণকৈ ঠিক নকৰা হোষ্টেলটোত চিন্ময় ফুকন নামৰ সৰু লৰাটোৱে অকলেই আছিল। ওপৰৰ কনফাৰেঞ্চ ৰোমটোৰ কাষতে কথাপাতি ৰোমলৈ উভতিলো ।

নতুন পৰিচয় "ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাস"ৰ আবাসী। ৰোম নং 101 । ৰোমটোত অৰুনাভ দত্ত। লাহে লাহে হোষ্টেলৰ প্ৰায়বোৰ ৰোমত নিশা বিজুলি বাতিৰ পোহৰে জিলিকি উঠিল। অৱশ্যে তলৰ কেইবাটাও ৰোম বন্ধ হৈয়ে আছিল। জেষ্ঠ বুলিবলৈ জীৱবিজ্ঞান বিভাগৰ সুৰজদা, ইংৰাজীৰ তীৰ্থদা আৰু ৰাজনীতি বিজ্ঞানৰ মনোজদা। কাণসমনীয়া অৰুনাভ, বুলবুল, পংকজ, প্ৰাঞ্জল পাইট আৰু নিলোৎপল দেউৰী। বাকী সকলো কণিষ্ঠ। একেটা বৰ্ষতে হোষ্টেলৰ আবাসী হোৱা হেতুকে জেষ্ট-কণিষ্ঠৰ বাবে বিশেষ একো নিয়ম নাছিল। বুৰঞ্জী বিভাগৰ অধ্যাপক চেংবই ডংগল ছাৰৰ তত্ত্বাৱধানত আমি একেখন নাৱৰে যাত্ৰী হলো।

এৰি আহিলো ভাড়াঘৰৰ স্মৃতি। এতিয়া এখন নতুন ঘৰ, নতুন মানুহ । হায়াৰ ছেকেণ্ডাৰী পৰা ভাড়াঘৰৰ অভিজ্ঞতা গোটাই ফুৰা ল'ৰাটোৱে আজি এক নতুন অভিজ্ঞতা গোটাব গৈ আছে। তাতে কলেজৰহোষ্টেল। অসমৰ চাৰিওটা কোণৰ ছাত্ৰৰে হোষ্টেল ভৰি পৰিল । অৰুণাচল, নাগালেণ্ডৰ দুই, এক ছাত্ৰও আছিল। কম সময়তে আপোন হৈ পৰিলো ।

ৰাতিপুৱা ৫ বজাৰ লগে লগে কেৰেং কেৰেং কৰি বাজি উঠে হোষ্টেলৰ বেলটো । অনুপমদা, ৰঞ্জিতদা হতে কেতিয়াবা দেৰি লৈকে আমনি দিয়ে। মানে কেৰেং কেৰেং কৰি। ৰুটিনৰ মতে লৰাবোৰ ওলাই যায়। দৈনিক হোষ্টেলৰ লগতে কলেজ পৰিষ্কাৰ কৰিবলৈ। ভাল লাগে। অৱশ্যে ঠাণ্ডা দিন কেইটাত খঙে মূৰত ধৰে। কি কি যে শব্দ ওলায় মুখৰ পৰা। এফালে কেৰেং কেৰেং, আনফালে অনুপমদা আৰু সঞ্জয়দাৰ চিঞৰ । চকু মোহাৰি মোহাৰি আগবাঢ়ো । ছোৱালী হোষ্টেলৰ আবাসী, পিঞ্চিপাল ছাৰ, গ্ৰীণক্লাবৰ সদস্যৰে সৈতে বন্ধুত্ব সুলভ কথাবোৰে শালিকী পুৱাটো জীপাল কৰি টোলে। ৭.১০ বজাৰ লগে লগে কাম শেষ কৰি বাথৰুমত চিঞৰ-বাখৰ। ঐ ওলাইছনে ? সোনকালে কৰ । অৱশ্যে মই সেই সময়ত দাইটি(ৰান্ধনি)ৰ ওচৰত ভাত হলনে বুলি খবৰহে লওঁ। কলেজৰ কেম্পাচতে হাবি-জংঘল অলপ বিচাৰি নহৰু দি ৰাতিপুৱা সাঁজৰ সামৰণি মাৰো।

দুপৰীয়া সময়খিনিত হোষ্টেলত বিশেষ জমি নুঠে। সকলো কলেজত। ৬ বজাৰ লগে লগে পুনৰ হোষ্টেলৰ বেল বাজি উঠে। কনফাৰেঞ্চ হলত প্ৰাৰ্থনা সভা "ব্ৰহ্মাই আদি কৰি....... "গাই শেষ হোৱাৰ লগে লগে সকলোৰে মবাইল প্ৰিফেক্টৰ হাতত। অভাৱ- অভিযোগ আটাইয়ে সদনৰ আগত ৰাখে। জমি উঠে কনফাৰেঞ্চ হল । কিমান যে সপোন সেই হলটোৰ ভিতৰত । অৱশ্যে সপোনবোৰ কেৱল হোষ্টেলটোক লৈ ।

সুৰজদা, তীৰ্থদা, মনোজদা এদিন গলগৈ। শেষ হল কলেজীয়া জীৱন। হোষ্টেলৰ নতুন প্ৰিফেক্টৰ দায়িত্ব শইকীয়া ছাৰে মোক দিলে । আৱাসীৰ নিৰ্বাচনত বুলবুল চাউদাঙক সহ প্ৰিফেক্টৰ দায়িত্ব দিয়া হল। লগে লগে হোষ্টেলৰ নিয়মাৱলী সলনি হল । কঠোৰ হল চিনিয়ৰ। ৱাৰ্ডেন ছাৰে এটা ছাবি মোৰ হাতত দিলে। ৬ বজাৰ লগে লগে গেট বন্ধ। কাৰো বাবেই খোলা নহয় । মই আৰু বুলবুল ইয়াৰ ভুক্তভোগী। প্ৰাৰ্থনা সভা আগৰদৰেই চলি আছে। মবাইল জমা দিয়াটো বাধ্যতামূলক। চিনিয়ৰ, জুনিয়ৰ বুলি কথা নাই। ভাত খাই শেষ হোৱালৈকে মবাইল প্ৰিফেক্টৰ ৰোমত। নিয়মৰ মাজত থাকি সচাই ভাল লাগে। ৬ বজাৰ পিছত প্ৰয়োজনীয় কাম হোষ্টেলৰ বাহিৰত থাকিলে, লগৰ আহিলে ইত্যাদি প্ৰিফেক্টক জনোৱাৰ লগতে আবেদন দিয়াটো সকলোৱে মানি চলিছিল। কিমান যে আবেদন চনম, ডেভিদে ঠিক কৰি ৰাখিছিল । বেয়া কাম কৰিলে পুনৰ নকৰাৰ প্ৰতিশ্ৰুতি পত্ৰবোৰ হয়তো আজিও হোষ্টেলত আছে ।

লাহে লাহে হোষ্টেলত এচাম নতুনক আদৰণি জনালোঁ । ভয়, সংকাত থকা প্ৰতিজন আবাসীক হোষ্টেলৰ নিয়মবোৰ বুজাই দিয়া হল। আদৰণি সভাখন অনুষ্ঠিত নকৰালৈকে সিহঁতৰ বাবে ৰখা নিয়মবোৰে কনফাৰেঞ্চ হলটো বাৰুকৈয়ে জমাইছিল। ফৰ্মেল সাজপাৰ পৰিধান কৰা, ৰোমত আদ্দা নবহোৱা, আগফালৰ কেন্টিনলৈ নোযোৱা, ছোৱালীৰ লগডত চিনাকী নোহোৱা ক'ত যে নিয়ম আছিল। ভাল লাগিছিল, সেই সময়ৰ প্ৰতিজন ছাত্ৰই এইবোৰ উপভোগ কৰিছিল। মনত পৰে আজিও নিশা ১২ বজাত বাথৰোম চাফা কৰোৱা কথাবোৰ । বেয়া পালেও সিহঁতে কব নোৱাৰে। যিহেতু দেউৰী আৰু মই সিহঁতৰ সমানে কাম কৰো । দেওবাৰে হোষ্টেলতো ঝাক দি মচিবলৈ পাল পৰা কেইটাৰ চিঙৰাটো বেছিকৈ থাকে । পাছফালৰ লেটেৰা ঠাইবোৰত লাই, পালেং, ধনীয়াৰ খেতি কৰা দিনবোৰ ক'ত যে হেৰাই গ'ল। ৰোমে ৰোমে ডাষ্টবিন নিৰিক্ষণ কৰা, কলেজলৈ বিনা কাৰণত নোযোৱা কথাবোৰ, খং-মৰমেৰে আলোচনা কৰা দিনবোৰ হেৰাই গ'ল । সেই সময়ত ছোৱালী হোষ্টেল আৰু লৰা হোষ্টেলৰ মাজত শংকৰদেৱ সভাকক্ষত প্ৰতি সপ্তাহত একোটাকৈ । বহঁদৈচিলা ।

প্ৰতিযোগীতা অনুষ্ঠিত হৈছিল। প্ৰিঞ্চিপাল ছাৰৰ হাতৰ পৰা ছোৱালী হোষ্টেলে উপহাৰবোৰ চিঞৰি চিঞৰি লৈছিল। আমি হাত চাপৰি জাউৰি জাউৰি বজাইছিলো । ছোৱালী হোষ্টেলৰ নৱাগত আদৰণি সভাত যাবলৈ লৰাবোৰ ৰৈ থাকে ; কিন্তু কোন কোন যাব পাব ? প্ৰিফেক্টৰ দায়িত্ব। তাতে হোষ্টেলৰ ভিতৰলৈ। সঁচাই বেলেগ আছিল দিনবোৰ । কলেজৰ প্ৰতিটো অনুষ্ঠানতে মৌচুমী (ছোৱালী হোষ্টেলৰ প্ৰিফেক্ট) আৰু মই থাকিব লাগে। কাৰণ অনুষ্ঠানবোৰৰ শক্তি হোষ্টেল দুটা । আবাসীসকল উপস্থিত থাকিলেই অনুষ্ঠান সফল । যিকোনো অনুষ্ঠানৰ বাবে ছাৰৰ মুখত প্ৰাঞ্জল। ভাল লাগে। দিনটোত এবাৰ হলেও ছাৰৰ ৰোমলৈ কেতিয়াবা অভাব, কেতিয়াবা অভিযোগৰ এটা টোপোলা লৈ যাওঁ ।

হোষ্টেলৰ মেছ চলোৱা, নালিয়াপুল বজাৰৰ পৰা চাউলৰ বস্তা দাঙি অনা, নিশা দেৰিলৈকে আদ্দা দিয়া এইবোৰ ভাল লাগিছিল। ভৰতদা, দাইটি সঞ্জয়দাৰ ৰান্ধনিঘৰত আগতিয়াকৈ মাছৰ মাথা খাই অহা, পাউদা, নিতুলদাৰ বাৰীৰ শাক চুৰ কৰা দিনবোৰ হেৰাই গ'ল । কলেজৰ অনুষ্ঠানত ভাত খোৱালে মাংস, মাছ বিছাৰি ভাত খাবলৈ যোৱা মানুহবোৰ আজি ওচৰত নাই । কাৰোবাৰ বেমাৰত ১০৮ মাতি মেডিকেল লৈ যোৱা ভাইটি, বন্ধুবোৰ আজি ব্যস্ত। একেখন বিচনাতে ওচৰতে বহি চনমৰ পৰা ভূতৰ কাহিনী শুনা কথাবোৰ লিখি থাকিলে শেষেই নহ'ব । ভাল-বেয়া কিমান যে কি কি কৰিলো । ভাল লাগিছিল সেই দিনবোৰ। আচলতে আমি উপভোগ কৰিছিলো হোষ্টেলৰ সেই দিনবোৰ। স্মৃতিবোৰ বুকুত লৈ আমিও এদিন গুচি আহিলো। প্ৰতিটো কোণতেই নিজক বিচাৰি পোৱা বহুত স্মৃতি এৰি আহিলো। কেতিয়াবা হোষ্টেলৰ খিৰিকিখনেৰে চিঞৰবোৰ ভাঁহি আহে। কিন্তু ঐ বমু, চনম, প্ৰাণজিৎ, চিন্ময়, ডেভিদ, জ্যোতিময়, ৰাজশ্ৰী নেওগ, হোষ্টেল মামা, চাওদাং, আমবাবা, জংলী, কাউৰী, Mr. বিড়ি, শদিয়া জোঁৱাই, তালিবান, M. Man (নাম উল্লেখ কৰা নাই), V. P. তহঁত নাই। চাদৰ ওপৰত বহি কলেজৰ ছোৱালীবোৰ চাবলৈ, ৰাতি জুই শেক লবলৈ নাই। আমাৰ ঘৰখন আজিও ধুনীয়া হৈ আছে। য'ত আমি জীৱনৰ হাজাৰ সপোন একেলগে দেখিছিলো। এই সপোনৰ পম খেদিয়েই আমি এদিন ঘৰমোৱা হ'লো। থাকি গ'ল আমাৰ দেৱদাৰু, কৃষ্ণচূড়াৰ তলৰ ধেমালিবোৰ । আমবাবাৰ বিচনা তলখন আৰু তালিবানৰ ৰোমটোৰ কাহিনী মনত পৰিলেই হাঁহি উঠে। ভালে থাক তহঁত । দিব্যৰ মাছৰ কাইট লগা কাহিনিটো কিমান যে হাস্যকৰ আছিল।

নিশা ১২ বজাৰ পৰা ৰাতিপুৱা ৫ বজালৈ কাম কৰি প্ৰাচীৰ-পত্ৰিকা ওলোৱা, চাৰিদিনৰ ভিতৰতে আলোচনীৰ কাম শেষ কৰা, সৰুকৈ হলেও পুথিভঁৰাল স্থাপন, ঔষধি গছৰ এখন বগিছা পতা আদি কামবোৰ কৰি হোষ্টেলৰ বাবে কিবা কৰি অহা যেন অনুভৱ হৈছিল। আৱাসীসকলৰ সঁহাৰি, আগ্ৰহে এইবোৰ কাম সহজ কৰিছিল। ভাল লাগিছিল "Hostel Weak"ৰ সময়খিনি । Mathematical Race, Mind Test Race গেম দুটা সকলোৰে ভাল পাইছিল। নিশা indoor Game বোৰ কিমান দেৰিলৈকে যে হৈছিল ঠিক নাই। মাজে মাজে হৰিনাথৰ ৰেপ্ গানবোৰে অনুস্থানবোৰ জমাই তুলিছিল। স্বাধীনতা দিৱসৰ উপলক্ষে মৰাণৰ অন্ধবিদ্যালয়ত খাদ্য বিতৰণ, গৃহহীন সকলক খাদ্য প্ৰদান কৰি সকলো আনন্দিত হৈছিল। নিজৰ পকেট উদং কৰি হলেও সহায় কৰিছিল। 'ডিম্বেশ্বৰ চলিহা সোৱঁৰণী' জিলা ভিত্তিক চিত্ৰাংঙ্গণ প্ৰতিযোগিতা খন কিমানযে কষ্টৰে পাতিছিলো ।

শেষত ছাত্ৰাবাসৰ প্ৰতিজন কৰ্ম-কৰ্তাক হৃদয়ৰ পৰা ধন্যবাদ। মোক শাসনৰ মাজত ৰাখি মানুহ হোৱাত সহায় কৰিলে। নিজৰ ঘৰ বুলি জ্ঞান কৰা হোষ্টেলটোলৈ নতুন মানুহ আহি থাকিব। নিয়ম সলনি হব। কিন্তু আমাৰ দিনবোৰ, আমাৰ চিঞৰবোৰ, আদ্দাবোৰ, প্ৰত্যেকৰে কাহিনীবোৰ প্ৰতিটো ৰোমত সদায়ে আমাৰ বাবে অপেক্ষা কৰি থাকিব ।



# ইন্টাৰনেট আৰ্শীবাদ ইন্টাৰনেট অভিশাপ

-আকাশদ্বীপ শইকীয়া
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ।

বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ চৰম উন্নতিৰ যুগত ইন্টাৰনেট এক অপৰিহায্য অংগ ৰূপে ঠিয় দিছে। আনকি কেঁচা মাটিৰ গোন্ধত সেউজ সপোন ৰচি ভালপোৱা চহা সকলো ইন্টাৰনেটৰ অবিহনে অচল হৈ পৰিছে । ইন্টাৰনেট ব্যৱহাৰৰ ধনাত্মক আৰু ঋণাত্মক দুটা ভাগ থাকে । যাৰ ফলস্বৰূপে ইন্টাৰনেট আৰ্শীবাদো হব পাৰে অভিশাপো হব পাৰে ।

বৰ্তমান শিক্ষা ব্যৱস্থাত যুৱ প্ৰজন্মই শিক্ষাৰ মূল উৎস হিচাপে ইন্টাৰনেটক আঁকোৱালি লৈছে । পঢ়া-শুনাৰ সম্পৰ্কীয় সকলো কথাৰ সমাধান ইন্টাৰনেটত উপলব্ধ হোৱাৰ বাবে ইন্টাৰনেটে শিক্ষাৰ সমাজখনত যথেষ্ট সমাদৰ লাভ কৰিববৈলে সক্ষম হৈছে । ইয়াৰ উপৰিও ইন্টাৰনেটৰ জৰিয়তে গৃহিনীয়ে বিভিন্ন ৰন্ধন প্ৰক্ৰিয়া আয়ত্ত কৰি লাভান্বিত হ'ব পাৰিছে । আজৰি বা আমনিৰ সময়তো ইন্টাৰনেটৰ জৰিয়তে বিভিন্ন মনোৰঞ্জনাত্মক ছবি, কাহিনী, নৃত্য-গীত আদি ভাৰ্চোৱেলি উপভোগ কৰি আনন্দ লাভ কৰিব পাৰি । পৃথিৱীৰ বিভিন্ন ঠাইৰ বা-বাতৰি আমি ঘৰতে বহি ইন্টাৰনেটত লাভ কৰিব পাৰো । পৰিবহনৰ বাবে টিকত সংগ্ৰহ, বিভিন্ন বিল পৰিশোধ, ধনৰ লেন-দেন, বিভিন্ন শিক্ষাগত ডিগ্ৰীসমূহ বৰ্তমান সময়ত ইন্টাৰনেটৰ জৰিয়তে উপলব্ধ হৈছে । এনেদৰেই বিভিন্ন সু-কৰ্মৰে সংযোজিত হৈ ইন্টাৰনেট বৰ্তমান পৃথিৱীত এক সহায়ৰ হাত আৰু জ্ঞানৰ ভৰাঁল ৰূপে থিয় দি মানৱ সমাজৰ উন্নতিত আৰ্শীবাদ প্ৰদান কৰিছে ।

বিভিন্ন সুবিধাৰে উপলব্ধ হলেও ইন্টাৰনেট যুৱ প্ৰজন্মৰ মৃত্যুৰ হাঠিয়াৰ বুলিও অভিহিত কৰিব নোৱাৰা নহয় । বিভিন্ন সামাজিক এপ্ ব্যৱহাৰৰ জৰিয়তে বহু মৃত্যুৰ উদাহৰণ পোৱা গৈছে । ইনষ্ট্ৰাগ্ৰাম, ফেচবুক, হোৱাটচআপ আদি এপ্ সমূহৰ জৰিয়তে প্ৰথমতে অচিন জনৰ লগত বন্ধুত্ব স্থাপন কৰি পাছত বিভিন্ন ব্লেকমেইলিংৰ বলি হৈ অস্বস্তিত ভোগী আত্মঘাটীৰ দৰে ঘৃণনীয় পথ বহুজনে বাছি লৈছে । বৰ্তমান নিষিদ্ধ যদিও ব্লু হুইলৰ দৰে মাৰাত্মক গেইমৰ যোগেদি বহু যুৱকে প্ৰাণ হেৰুৱাইছে । হেকিংৰ জৰিয়তে আইন উলংঘন কৰি অপৰাধমুলক কাৰ্য কৰিছে । ইয়াৰ উপৰিও শিক্ষালাভ প্ৰক্ৰিয়াৰ সমাধান সমূহ ইন্টাৰনেটতে উপলব্ধ হোৱাৰ বাবে কিতাপৰ লগত শিক্ষাৰ্থীৰ সম্পৰ্ক হেৰাই যাব ধৰিছে । অনলাইন শিক্ষাৰ ব্যৱস্থাৰ মাধ্যমক কু-প্ৰয়োগ কৰি ভাৰ্চুৱেল পৃথিৱীৰ ৰঙীন জগতৰ বিভিন্ন কু-কৰ্মত ছাত্ৰসমাজ বা শিক্ষাৰ্থীসকল নামি পৰিছে । ইন্টাৰনেটৰ অত্যাধিক ব্যৱহাৰৰ ফলত শিশু তথা কিছু সংখ্যক বয়োজেষ্ঠ্য সমাজো সামাজিক অনুষ্ঠান তথা বিভিন্ন উৎসৱ পাৰ্বনৰ ফালে পিঠি দিয়ে । ম'বাইলত ইন্টাৰনেট ব্যৱহাৰৰ বাবে ঘৰৰ মানুহৰ পৰা ব্যৱহাৰকাৰী আঁতৰি পৰিছে । যাৰ বাবে ইন্টাৰনেট ব্যৱহাৰকাৰী সকলে এটা অকলশৰীয়া জীৱনক প্ৰাধান্য দিছে ।

বৰ্তমান পৃথিৱীত ১৯৮৯ চনৰ পিয়ল তথ্য অনুসৰি মুঠ ৫৬.৭% মানুহে আৰু ভাৰতবৰ্ষত প্ৰায় ৪১.০% মানুহে ইন্টাৰনেট ব্যৱহাৰ কৰিছিল । গতিকে আমি সকলোৱে বেয়াক নিহালি থৈ ভালক আকোঁৱালি আগবাঢ়িলে ইন্টাৰনেটে বৰ্তমান পৃথিৱী তথা ভাৰতবৰ্ষক উন্নতিৰ জখলাত আৰু বহু আগুৱাই নিব বুলি মই ভাবো ।

# ফাটবিহু ঢকুৱাখনাৰ সংস্কৃতিৰ গৌৰৱ

-শ্ৰী মানস প্ৰতীম কোঁৱৰ
প্ৰথম ষান্মাসিক, নৃতত্ত্ব বিভাগ।

প্ৰত্যেক বছৰে বহাগ মাহত চাৰিকড়ীয়া নদীৰ পাৰৰ ম'হঘূলী চাপৰিত ফাটবিহু উদযাপন কৰা হয়। সম্ভৱতঃ ই অসমৰ আটাইতকৈ পুৰণি ব'হাগ বিহুৰ উদযাপনৰ এটা। ঢকুৱাখনাৰ আটাইতকৈ পুৰণি নাম আছিল হাবুং। এইটো বিশ্বাস কৰা হয় যে স্বৰ্গদেউ চ্যুকাফাই আহোম ৰাজ্যৰ ৰাজধানী প্ৰতিষ্ঠা কৰিবলৈ দুবছৰ ধৰি ইয়াত আছিল। কিন্তু দুখৰ কথা এই যে, হাবুং এটা বানপীড়িত অঞ্চল আছিল। গতিকে স্বৰ্গদেউ ছ্যুকাফাই চৰাইদেউত আহোমৰ প্ৰথম ৰাজধানী পাতিছিল। কিছুমানে বিশ্বাস কৰে যে এই ফাট নামটোৰ উৎপত্তি সাতদিনীয়া বিহু উদযাপনৰ পৰাই উদ্ভৱ হৈছে। বিভিন্ন জনজাতিৰ লোক আৰু কলাকুশলী সকলে সাতদিনৰ বাবে বিহু উদযাপন কৰিবলৈ এই ঠাইলৈ আহে।

ইয়াৰ উৎপত্তি যিয়েই নহওক, ফাট বিহুৰ নিজা পৰম্পৰাগত গুৰুত্ব আছে। জাতি আৰু ধৰ্ম নিৰ্বিশেষে মানুহে ফাটবিহু উদযাপন কৰিবলৈ মহঘূলী চাপৰিলৈ আহে। সময়ৰ সতে সংস্কৃতিৰ সলনি হয়। ফাটবিহুতো বহু পৰিবৰ্তন হৈছে। এতিয়া ইয়াক তিনিদিনৰ বাবে উদযাপন কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰতিয়োগিতামূলক অনুষ্ঠান যেনে- মুকলি বিহু, জেং বিহু, টকা বিহু, গামোচা প্ৰতিযোগিতা ইত্যাদি অনুষ্ঠিত হয়। এই পৰিবৰ্তনৰ স্বত্বেও, ফাটবিহুয়ে ইয়াৰ মূল গুৰুত্ব হেৰুৱাব পৰা নাই। এই বিহুৰ আটাইতকৈ আশ্চৰ্যজনক অংশটো হৈছে প্ৰাকৃতিক সৌন্দৰ্য।




ফাটবিহুৰ আন এটা গুৰুত্বপূৰ্ণ অংশ হল জাতীয় সাজ-পাৰ পিন্ধাৰ পৰম্পৰা। পুৰুষ-মহিলা সকলোৱে নিজা পৰম্পৰাগত সাজ-পাৰ পিন্ধাটো বাধ্যতামুলক। জাতীয় সাজ-পাৰৰ বাহিৰে অন্য সাজ-পোছাকত মঞ্চত প্ৰৱেশ কৰিবলৈ কাকো অনুমতি দিয়া নহয়। গতিকে মই বিশ্বাস কৰো এইটোৱে অসমৰ আটাইতকৈ বিশুদ্ধ বহাগ বিহু উদযাপনৰ এটা সাংস্কৃতিক পৰম্পৰা। ঢকুৱাখানা এটা বানপীড়িত অঞ্চল আছিল যদিও ইয়াৰ লোকসকল ফাটবিহু উদযাপনত বিফল হোৱা নাই। প্ৰতিবছৰে তিনিদিনীয়া কাৰ্যসূচীৰে ইয়াক উলহ-মালহেৰে উদযাপন কৰা হয়। আমি আশা কৰিছো, ভৱিষ্যতেও ফাটবিহুৱে সাংস্কৃতিক দিশত ঢকুৱাখানাক আগুৱাই লৈ যাব।

# বালিমাহীৰ অৰণ্যলৈ এভুমুকি




-শ্ৰী ভাস্কৰ জ্যোতি টাউদ
প্ৰথম ষান্মাসিক, গণিত বিভাগ।

পৃথিৱীত অসংখ্য অৰণ্য আছে। কিন্তু তাৰে বিশ্ববিখ্যাত অৰণ্য নিচেই তাকৰ। তাৰে এখন বিশ্ববিখ্যাত আৰু আদৰ্শসজীৱ অৰণ্য হৈছে মূলাই অৰণ্য। কাৰণ এই অৰণ্য প্ৰকৃতিৰ দান নহয়, এইয়া মানৱৰ এক অমূল্য অৱদান। যি সময়ত মানুহৰ উতপীড়নত বণাঞ্চল, অৰণ্য আদি ধ্বংসৰ ফালে ধাৱিত হৈছে, সেই সময়ত পদ্মশ্ৰী যাদৱ পায়েং দেৱে নিজা প্ৰচেষ্টাৰে জননী আইক ৰক্ষা কৰিবলৈ মূলাই অৰণ্যৰ দৰে আদৰ্শবাদী, অৰণ্য গঢ়ি তোলে। মই আদৰ্শ শব্দটো এইবাবে ব্যৱহাৰ কৰিছো কাৰণ এই অৰণ্য খনৰ যোগেদি পৃথিৱীৰ বহুতো চিন্তাবিদ ব্যক্তি জাগৃত হল এক নতুন যাত্ৰাৰ অভিমূখে। আৰম্ভ হৈছে বৃক্ষ ৰোপনৰ এক নতুন জাগৰণ আৰু সেই জাগৃত ব্যক্তিৰে এজন হৈছে মোৰ পিতৃ ললিত টাউদ।

যাদৱ পায়েঙৰ কাৰুকাৰ্য্যক আৰ্হি হিচাপে লৈ ব্ৰহ্মপুত্ৰৰ বালিচৰীয়া মৰুভূমি সদৃশ অঞ্চলত দেউতাই সপোন দেখিবলৈ আৰম্ভ কৰিলে সেউজীয়া এখন বিনন্দীয়া অঞ্চল। দেউতাই নিজৰ সম্যক জ্ঞানেৰে আৰম্ভ কৰিবলৈ ললে এক নতুন যাত্ৰা। তেওঁ এজন কৃষি বিষয়ক কৰ্মচাৰী। সেইবাবে তেওঁৰ মাটিৰ গুণাগুণৰ ওপৰত অলপ হলেও জ্ঞান আছিল। সেয়ে তেওঁ শিমলু, আজাৰ, ঔটেঙাৰ দৰে গছপুলিবোৰেৰে নিজৰ যাত্ৰা আৰম্ভ কৰিবলৈ ল'লে। মই তেতিয়া আছিলো ষষ্ঠ শ্ৰেণীত। দেউতাৰ লগত মই আৰু লগতে আমাৰ খুৰাৰ ল'ৰা আৰু বৰদেউতাৰ ল'ৰা অৰ্থাৎ দুয়ো মোৰ ভাইটি। প্ৰত্যেকটো দেওবাৰে আমি সকলো দেউতাৰ লগত যাওঁ। গছপুলিবোৰ লাহে লাহে বাঢ়িবলৈ আৰম্ভ কৰিছিল আৰু মোৰ দেউতাৰ সপোনবোৰো আৰু অধিক সজীৱ হ'বলৈ ধৰিছিল। আমি এই যাত্ৰা আৰম্ভ কৰিছিলো ব্ৰহ্মপুত্ৰৰ চৰ-চাপৰি মুকলি ঠাইত য'ত গছ-গছনিৰ নামত ঝাওঁবন আৰু মাথো বগৰি গছ আছিল। লগতে আমাৰ এটা ডাঙৰ সমস্যা আহি পৰিছিল তাত ঘাঁহ বিচাৰি বিচৰণ কৰা গৰুবোৰৰ ওপৰত। প্ৰথমাৱস্থাত মুকলি ঠাইত ৰোৱা পুলিবোৰৰ সকলোখিনি পাত গৰুৱে খাই তহিলং কৰি পেলাইছিল। পিছত দেউতাই চিন্তা কৰি পালে যে, যিবোৰ গছৰ পাত গৰুৱে নাখায়, তেনে গছপুলি মুকলি ঠাইত ৰুবলৈ আৰম্ভ কৰিলো আৰু বাকী গছপুলিবোৰ ঝাওঁবনৰ আঁৰত নাইবা বগৰী ডাল কাটি গৰু সোমাব নোৱাৰাকৈ ধুনীয়াকৈ বেৰি ৰোৱা হৈছিল। এই যাত্ৰা আমি অৱিৰত ৰাখিছিলো আৰু যেতিয়া আমাৰ কামৰ ধনাত্মক ফলাফল লাহে লাহে কৰিবলৈ ধৰিলে আমাৰ উৎসুকতা দুগুণে বাঢ়িব ধৰিলে।

মই সপ্তম শ্ৰেণীত আছিলো, বিদ্যালয়ত এখন নাটক মঞ্চস্থ কৰাৰ যো-জা চলিছে আৰু নাটখনত মইও অভিনয় কৰিবলৈ আগবাঢ়িলো। নাটখনৰ নাম আছিল 'বালিমাহীৰ কথাৰে'। নাটখন যিদিনা মঞ্চস্থ কৰিছে সেইদিনা দেউতাও আহিছিল। দেউতাক নাটখনৰ বালিমাহী চৰাইজনীৰ কণী পাৰিবলৈ ঠাই বিচাৰি নোপোৱাৰ কৰুণ দৃশ্যই মৰ্মান্তিক কৰি পেলালে আৰু দেউতাই সেইদিনাই মনত ঠিক কৰি ললে যে জাজীমুখৰ যি নিঃশেষ হ'বলৈ ধৰা জৈৱ বৈচিত্ৰ্য সেইয়া পুনৰ উভতাই আনিব। দেউতাই আৰম্ভ কৰা এই যাত্ৰাৰ নাম ৰাখিলে 'বালিমাহী অৰণ্য। গছবোৰ ডাঙৰ হ'বলৈ লওঁতেই আমাৰ গাওঁৰ কিছুমান মানুহে দেউতাৰ লগত বিৰোধীতা কৰিবলৈ ধৰিলে (যিহেতু আমাৰ অঞ্চলটো বনৰীয়া হস্তীয়ে আক্ৰমণ কৰা অঞ্চল)। আমাৰ গাৱঁৰ মানুহবোৰে ভাৱিছিল যে গছবোৰ ডাঙৰ হলে হাতীবোৰে ইয়াতে আশ্ৰয় ল'ব আৰু আমাক আমনি কৰিব। কিন্তু সেই ধাৰণা যে ভূল সেই কথা কিছুমান শিক্ষিত মানুহৰ দ্বাৰা আৰু নিজেও উপলব্ধি কৰিবলৈ ল'লে আৰু দেউতাক সহায় কৰিবলৈ ধৰিলে।



বালিমাহী অৰণ্য



ললিত টাউদ (স্তম্ভলেখকৰ পিতৃ)



গছপুলি ৰোপন কৰি থকা অৱস্থাত

**'বালিমাহী অৰণ্য'** এতিয়া **২৫০ বিঘা মাটিৰে আগুৰা** আৰু নানান গছ-গছনিৰে ভৰপূৰ জাঁজীমুখ অঞ্চলৰ স্বাভিমান আৰু গৌৰৱ। ইয়াত 'বিশ্ব পৰিবেশ দিৱস 'মাথো এটা দিৱস নহয়, এক নতুন সূৰুযৰ দিশে ধাৱিত এটি নতুন আলোক আৰু উৎসৱ। বৰ্তমান 'বালিমাহী অৰণ্য' হৈছে বহুতো গুণী-জ্ঞানী, পৰ্যটক, সাংবাদিক, নেতা-পালি নেতাৰ পৰ্যটন স্থল। গতিকে সকলো পঢ়োৱৈক ধন্যবাদ জনাইছো আৰু 'বালিমাহী অৰণ্য'ক আৰ্শীবাদ আৰু এবাৰলৈ হ'লেও দৰ্শন কৰিবলৈ অনুৰোধ জনালোঁ।

**'সেউজ পৃথিৱী গঢ়ো আহা'** এইয়া মাথো শ্লোগানত লিখিলে ন'হব, আহক আমি সকলোৱে মিলি ইয়াক বাস্তবায়িত কৰি তোলো।

---

# ছাত্ৰ জীৱন আৰু সমাজ সেৱা

-ৰাজকুমাৰ গগৈ
প্ৰথম ষান্মাসিক, অৰ্থনীতি বিভাগ।

জীৱনৰ আদিপাঠ যেতিয়া আৰম্ভ কৰিছিলোঁ তেতিয়াই হয়টো নজনাকৈয়ে গাঁওখনৰ প্ৰাথমিক বিদ্যালয়ৰ সহপাঠি সকলৰ হৈ মাতমতাৰ স্বভাৱটো গা কৰি উঠিছিল।

সেই বাবেই ছাগে বিদ্যালয়খনৰ বিভিন্ন দায়িত্ব লাভ কৰিবলৈ সক্ষম হৈছিলো। লাহে লাহে গাঁও খনৰ সমাজ ব্যৱস্থাটোৰ প্ৰতি দায়বদ্ধ হ'বলৈ শিকিছিলোঁ। তাৰ বাবেই হয়টো গাঁৱৰ যুৱ সংঘৰ মূল দ্বায়িত্ব লৈ গাঁৱৰ শৈক্ষিক, সামাজিক সমস্যা সমূহৰ হৈ মাত মাতিবলৈ সুবিধা পাইছিলোঁ। লাহে লাহে হয়টো তেতিয়াই সমাজ ব্যৱস্থাটোৰ প্ৰতি আকৃষ্ট হ'বলৈ ধৰিলো।

হাইস্কুল শিক্ষা শেষ কৰি যেতিয়া কলেজীয়া শিক্ষা ল'বলৈ শদিয়াৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানৰ শদিয়া মহাবিদ্যালয়ত নাম ভৰ্তি কৰিলোঁ তেতিয়া এটা কথা উপলদ্ধি কৰিলোঁ যে ছাত্ৰ জীৱনত নিজৰ শৈক্ষিক দিশটো আগবঢ়াই নিয়াৰ উপৰিও এজন ছাত্ৰ বা ছাত্ৰীৰ অন্য এক কাম হ'ল কলেজ খনৰ সমস্যা, ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক সমস্যা, অঞ্চলটোৰ সামাজিক সমস্যা সমূহৰ হৈ মাত মতা। সেই বাবেই হয়টো মোৰ হৃদয়ৰ পৰা সদৌ অসম ছাত্ৰ সন্থাৰ পবিত্ৰ মজিয়া খন আঁকোৱালি লোৱাৰ হেঁপাহ জাগি উঠিছিল। কাৰণ এটা কথা সৰুৰ পৰাই শুনি আহিছিলোঁ যে ছাত্ৰ সন্থা নামৰ এই সংগঠনটো সদায় অন্যায়, দুৰ্নীতি, ভস্তাচাৰৰ বিৰুদ্ধে মাত মাতি আহিছে সেই বাবেই হয়টো মোৰ এই আছু নামৰ সত্তাটোৰ প্ৰতি ভালপোৱাৰ ভাৱ জাগি উঠিছিল। মই জনা যেৱা পাছৰ পৰাই মোৰ মনত দেশ ভক্ত তৰুণৰাম ফুকনৰ এটা উক্তি সদায় সজীৱ হৈ আছে তেখেতে কৈছিল "যি জন ছাত্ৰই ছাত্ৰ জীৱনত জাতীয়তাবাদ কৰা নাই সেই জন ছাত্ৰৰ ছাত্ৰ জীৱন ব্যৰ্থ।"

তেখেতৰ সেই অমৃত বাণীটো হৃদয়ৰ এচুকত লৈয়ে মই সদৌ অসম ছাত্ৰ সন্থাৰ অন্তৰ্গত শদিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ এজন সদস্য হৈছিলো। তাৰ পাছতে ছাত্ৰ সন্থাৰ এজন প্ৰতিনিধি হৈ শদিয়াৰ বিভিন্ন প্ৰান্তত গৈ মানুহৰ মাজত শৈক্ষিক পৰিৱেশৰ বাতাবৰণ অনাৰ চেষ্টা কৰিছিলোঁ লগতে শদিয়াৰ দৰে এখন অতি পিছপৰা ঠাইৰ বিভিন্ন সমস্যা সমূহৰ সমাধানৰ পথ বিচাৰি মাত মাতিবলৈ কুণ্ঠাবোধ কৰা নাছিলোঁ।

যদিও মোৰ শৈক্ষিক ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি মই ডিব্ৰুগড় আহিব লগা হ'ল তথাপিও আজিও মোৰ দেহত জাতীয়তাবাদী তেজৰ গোন্ধ আছে। জীৱনটো গতানুগতিক ব্যস্ততাৰে ভৰা যদিও ভৱিষ্যতৰ অনাগত দিনত এজন ছাত্ৰ হিচাপে শৈক্ষিক দিশৰ উপৰিও সমাজৰ অন্যান্য দিশৰ সমস্যাসমূহো সমাধান কৰিবলৈ অপ্ৰাণ চেষ্টা কৰি যাম।

ধন্যবাদ।

---

# স্নাতক কালত ছাত্ৰাবাসৰ আমেজ



-বিশাল চাহু
৫ম ষান্মাসিক,পৰিসংখ্যা বিভাগ।
হোষ্টেল প্ৰিফেক্ট ।

উচ্চতৰ মাধ্যমিক পৰীক্ষা শেষ হ'ল। ফলাফলো ওলাল। এতিয়া সময় সমাজত প্ৰচলিত এটা ডিগ্ৰী অৰ্জন কৰাৰ । উজনি অসমৰ নামজ্বলা মহাবিদ্যালয় কানৈত পঢ়াৰ হেপাঁহ। তাৰোপৰি কলেজ হোষ্টেলৰ আৱাসী হৈ শিক্ষাগ্ৰহন কৰাৰ ইচ্ছা। কিয়নো ছাত্ৰজীৱনত হোষ্টেলৰ আৱাসী নহ'লে বিশেষকৈ ছাত্ৰজীৱনটো আধৰুৱা যেন লাগে। ইচ্ছা পূৰণ হ'ল। কানৈ মহাবিদ্যালয়ৰ ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসত আৱাসীৰূপে স্থান পালো। আগতে শুনি অহাৰ ধৰণেৰেই হোষ্টেলত সোমাইয়ে জুনিয়ৰ-চিনিয়ৰ পদবীবোৰ দেখিবলৈ পাঁলো। নতুনকৈ ছাত্ৰাবাসত আহি এটা কথাই মনলৈ আহিল যে, হোষ্টেলত অলপ নিজকে সংযম কৰি ৰাখিব লাগিব। চিনিয়ৰৰ চকুত কিবা ভূল ধৰা পৰিলেই বিপদ আহিব পাৰে। এই অনুভৱ প্ৰত্যেকজন নতুন আৱাসীৰ মনত উদয় হোৱাটো স্বাভাৱিক । দিন বাগৰিল। ছাত্ৰাবাসৰ কিছু নীতি-নিয়ম আমাক বুজাই দিয়া হ'ল। সন্ধিয়া সময়ত প্ৰাৰ্থনা কৰিবলৈ যাওঁতে চিনিয়ৰ দাদাকেইজনে প্ৰাৰ্থনাৰ পাছত আমাক শিকাই দিয়া ধৰণেৰে নিজৰ পৰিচয় দাঙি ধৰাৰ লগতে কিছু আদ্দা হয় ।

আমাৰ ছাত্ৰাবাসত বিশেষ প্ৰচলিত আছে নাচ-গান। নতুনকৈ অহা আৱাসীয়ে নাচিব নে গান গাব সোধা হ'য়। নাচিব নাজানো, গাব নাজানো ক'লে ন'হব। কৰিবটো লাগিবই। প্ৰথমে আমিও এইবোৰ ভূগিবলৈ পাই ভাবিছিলো দাদাকেইজনে অত্যাচাৰ কৰিছে। কিন্তু নহয়, এইবোৰ আমাৰ আত্মবিশ্বাস আৰু সাহস বঢ়োৱাৰ এটা মাধ্যম। সোণ জিলিকিবলৈ জুইৰ তাপ সহিবই লাগি। লগতে ছাত্ৰাবাসত থাকি বন্ধু সকলৰ সৈতে কৰা উৎপাত, লগতে থকা ৱাৰ্ডেন ছাৰক কৰা অশান্তি, ৰাতি কলেজৰ কেম্পাছত সমনীয়াৰ সৈতে মৰা আদ্দাবোৰ, কোনো লগৰীয়াৰ ৰোমত কিবা খোৱা বস্তু দেখিবলৈ পালেই পলকতে খাই শেষ কৰি পেলোৱা আদি সকলোবোৰ চিৰযুগমীয়া স্মৃতি হৈ জীৱনৰ সোণালী পাতত থাকি যাব । লগতে ছাত্ৰাবাসত থকা ফলস্বৰূপে গুৰুসকলৰ পৰা সততে পোৱা শিক্ষা, নিৰ্দেশনা, সঁহাৰি আদি বহুদিশে আমাক লাভান্বিত কৰিছে আৰু কৰি থাকিব ।

শেষত ইমানেই কম, যি ছাত্ৰই ছাত্ৰ জীৱনত হোষ্টেলৰ আৱাসী হ'ব পাৰিছে , নিঃচিন্তনীয়ভাবে তেওঁলোকে জীৱনৰ যিকোনো পৰিস্থিতিৰ লগত খাপ খাব পৰাকৈ যোগ্যতা অৰ্জন কৰিছে। ছাত্ৰ জীৱনত ছাত্ৰাবাসৰ আমেজ, তাত পোৱা শিক্ষাই ছাত্ৰ এজনৰ লগত অমূল্য সম্পদৰূপে চিৰজীৱন ৰৈ যাব আৰু জীৱনৰ বাটত সহায় কৰি যাব।

# শদিয়াৰ বিহু

-মদন সোনোৱাল
প্ৰথম ষান্মাসিক,দৰ্শন বিভাগ।

"বিহু আনন্দীয়া বিহু বিনন্দীয়া
বিহুৰ মৌ-মিঠা মাত,
বিহপ বা লাগি বিহুৱা ককাই ঐ
দেউধানি উঠিছে গাত।"

বিহু হৈছে অসমীয়াৰ জাতীয় উৎসৱ। বিহুৰ অহাৰ লগে লগে অসমীয়া লোক সকলৰ মন-প্ৰাণ নাচি উঠে। হিয়া উল্লাহে নধৰা হয়। অসমৰ জাতীয় উৎসৱৰ জৰিয়তে অসমীয়া লোকসকলে নিজৰ জাতিৰ পৰিচয় দাঙি ধৰে। অসমৰ পাহাৰ-ভৈয়াম, গাঁৱে-ভুঞে, চহৰে-নগৰে সকলোতে ব'হাগৰ প্ৰথম দিনটোৰ পৰা বিহু পালন কৰা হয়। কিন্তু তাৰে ব্যতিক্ৰম উজনি অসমৰ তিনিচুকীয়া জিলাৰ অন্তৰ্গত শদিয়া অঞ্চলৰ বিহু পালন কৰাৰ কিছু পৃথক নীতি-নিয়ম আছে। ঐতিহ্যমণ্ডিত শত ফুলৰ দেশ শদিয়া হৈছে শক্তি উৎপাদনৰ কেন্দ্ৰ। ব'হাগৰ প্ৰথমটো মংগল বাৰৰ পৰা শদিয়া বিহু পালন কৰি ব'হাগৰ শেষৰ মংগল বাৰে বিহু সামৰে। ব'হাগৰ প্ৰথমতো মংগল বাৰে তাঁত-শালত পাণ-তামোলৰ শৰাই আগবঢ়াই বলি-বিধানেৰে বিহু পালন কৰিবলে অনুমতি বিচাৰি শাললৈ শৰাই আগবঢ়াই। ইয়াৰ পাছতেই বুঢ়া-বুঢ়ী শালত অৰ্থাৎ বুধবাৰে পূজা-অৰ্চনা কৰি ম'হ বলি দি বিহু নমাই দিবলৈ অনুৰোধ কৰে। তাৰ পাছতেই দেউধাইয়ে বিহু নমাই ডেকা-জীয়ৰীক বিহু কৰিবলৈ দিয়ে। শদিয়াৰ সকলো ঠাইৰ পৰা যোৱা ডেকা-গাভৰুৱে বিহু কৰে আৰু তেতিয়াৰ পৰাই প্ৰতিখন গাৱঁতে হুচৰি গাব পাৰিব বুলি দেউধাইয়ে ঘোষণা কৰে।



**হুঁচৰি**

এনে দৰে প্ৰায় এমাহ ধৰি গাঁৱে গাঁৱে হুঁচৰি মাৰি শেষ কৰি প্ৰতিখন গাৱঁতে বিহু উৰুৱাই। বহাগৰ শেষৰটো মংগলবাৰে পৰম্পৰাগত নীতি-নিয়ম অনুসৰি কুকুৰা মৰা গাৱঁতে বহুৱা নৃত্য প্ৰদৰ্শন কৰি হেঁপাহৰ ৰঙালী বিহুটি শেষ কৰে অৰ্থ্যাৎ এবছৰৰ বাবে বিদায় জনায়।

# ৰচনাৰ ওপৰত ৰচনা

-সমীৰকিৰণ সোনোৱাল
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ।

ৰচনা হ'ল সাধৰণতে লেখকৰ নিজা যুক্তি সন্নিবিষ্ট এটা লেখা । ৰচনাসমূহক আনুষ্ঠানিক আৰু অনানুষ্ঠানিক হিচাপে শ্ৰেণীভুক্ত কৰা হৈছে । আনুষ্ঠানিক ৰচনাৰ বৈশিষ্ট্য হৈছে "গুৰুতৰ উদ্দেশ্য, মৰ্যাদা, যুক্তিসংগত সংগঠন আৰু দৈঘ্য" । আনহাতে অনানুষ্ঠানিক ৰচনাৰ বৈশিষ্ট্য হৈছে "ব্যক্তিগত উপাদান( যেনেঃ আত্মপ্ৰকাশ, ব্যক্তিগত ৰুচি আৰু অভিজ্ঞতা, গোপনীয়তা), হাস্যৰস, ৰূপশৈলী, বিষয়বস্তুৰ অগতানুগতিকতা বা নতুনত্ব" ইত্যাদি ।

সাহিত্য সমালোচনা, ৰাজনৈতিক ইস্তাহাৰ, শিকি অহা মুক্তি, দৈনন্দিন জীৱনৰ পৰ্যবেক্ষণ, স্মৃতি, লেখকৰ প্ৰতিফলন আদিত ৰচনা সাধাৰণতে ব্যৱহাৰ কৰা হয় । প্ৰায় সকলো আধুনিক ৰচনা গদ্যত লিখা হয় । কিন্তু পদ্যত লিখা ৰচনাবোৰকো Dubbed Essay বুলি গ্ৰহন কৰা হৈছে (যেনেঃ আলেকজেণ্ডাৰ পোপৰ "এছেই অন ক্ৰিটিচিজম" আৰু "এন এছেই অন মেন") । সংক্ষিপ্ততাই সাধাৰণতে ৰচনা সংজ্ঞা দিলেও জন লকৰ "এন এছেই কনচাৰ্নিং হিউমেন আণ্ডাৰষ্টেণ্ডিং " আৰু থমাছ্ মালথাছ্ৰ 'এন এছেই অন দ্যা প্ৰিন্সিপাল অৱ পপুলেচন'ৰ দৰে ডাঙৰ ডাঙৰ গ্ৰন্থবোৰ ইয়াৰ বিপৰীত উদাহৰণ ।

কিছুমান দেশত (যেনে: আমেৰিকা আৰু কানাডা)ত ৰচনা আনুষ্ঠানিক শিক্ষাৰ এটা প্ৰধান অংশ হৈ পৰিছে । ছাত্ৰ-ছাত্ৰী সকলক তেওঁলোকৰ লিখাৰ দক্ষতা বৃদ্ধিৰ বাবে গঠনমূলক ৰচনাৰ আৰ্হি শিকোৱা হয়। নামভৰ্তিৰ ৰচনা বিশ্ববিদ্যালয় সমূহে আৱেদনকাৰী নিৰ্বাচনতে প্ৰায়ে ব্যৱহাৰ কৰে, আৰু মানৱীয় আৰু সমাজ বিজ্ঞানত ৰচনা প্ৰায়ে চূড়ান্ত পৰীক্ষাৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ প্ৰদৰ্শনৰ মূল্যায়নৰ উপায় হিচাপে ব্যৱহাৰ কৰা হয়। ৰচনা ধাৰণাতো লিখাৰ বাহিৰেও আন মাধ্যমলেও সম্প্ৰসাৰিত কৰা হৈছে । চলচিত্ৰ ৰচনা হৈছে এনে এখন চলচিত্ৰ যিয়ে প্ৰায়ে তথ্যচিত্ৰ নিৰ্মাণৰ শৈলিক সামৰি লয় আৰু কোনো বিষয়বস্তু বা ধাৰণা এটাৰ বিৱৰ্তনৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে । ফটোগ্ৰাফিক ৰচনা এখনত এটা বিষয় হিচাপে সামৰি লোৱা হয় আৰু ইয়াৰ লগত সংলগ্ন লিখনি বা কেপচন থাকিব পাৰে ।

ৰচনা শব্দটো ফৰাচী অব্যৱহৃত ৰচনাকাৰৰ পৰা আহিছে, যাৰ অৰ্থ "চেষ্টা কৰা" বা "প্ৰচেষ্টা কৰা"। ইংৰাজী ৰচনাৰ প্ৰথম অৰ্থ আছিল "এটা পৰীক্ষা" বা " এটা প্ৰচেষ্টা" আৰু এইটো এতিয়াও এটা বিকল্প অৰ্থ । ফৰাচী মিচেল ডি মণ্টেইনে (১৫৩৩-১৫৯২) তেওঁৰ ৰচনাক ৰচনা হিচাপে বৰ্ণনা কৰা প্ৰথমজন লেখক আছিল । তেওঁ এই শব্দটো ব্যৱহাৰ কৰি এইবোৰক নিজৰ চিন্তাক লিখিত ৰূপ দিয়াৰ প্ৰচেষ্টা হিচাপে বৰ্ণনা কৰিছিল । পৰৱৰ্তী সময়ত ৰচনাৰ সংজ্ঞা বিভিন্ন ধৰণেৰে কৰা হৈছে। ইয়াৰে এটা সংজ্ঞা হ'ল "আলোচনাৰ কেন্দ্ৰীভূত বিষয়ৰ সৈতে গদ্য ৰচনা" বা "দীঘলীয়া পদ্ধতিগত বক্তৃতা । ৰচনা কি ধাৰাত পৰে তাৰ সংজ্ঞা নিৰূপন কৰাটো কঠিন । এলডাছ হাক্সলি নামৰ এজন আগশাৰীৰ ৰচনাকাৰে এই বিষয়ে নিৰ্দেশনা দিয়ে । তেওঁ উল্লেখ কৰে যে ৰচনাখন প্ৰায় যিকোনো বস্তুৰ বিষয়ে প্ৰায় সকলো কথা কোৱাৰ বাবে এক সাহিত্যিক যন্ত্ৰ, আৰু লগতে কয় যে, পৰম্পৰা অনুসৰি, প্ৰায় সংজ্ঞা অনুসৰি ৰচনাখন এটা সংক্ষিপ্ত টোকোৰা ।

। ৰবঁদৈচিলা ।

তদুপৰি হাক্সলিয়ে যুক্তি আগবঢ়াই যে ৰচনাসমূহ এনে এটা সাহিত্যিক প্ৰজাতিৰ অন্তৰ্গত যাৰ চৰম পৰিৱৰ্তনশীলতাক তিনিটা মেৰুৰ ৰেফাৰেন্স ফ্ৰেমৰ ভিতৰত অতি ফলপ্ৰসুভাৱে অধ্যয়ন কৰিব পাৰি । এই তিনিটা মেৰু বা ৰচনাখনৰ অস্তিত্ব থাকিব পৰা জগত হ'লঃ

<u>ব্যক্তিগত আৰু আত্মজীৱনীমূলকঃ</u> এই মেৰুটোত আটাইতকৈ আৰামদায়ক অনুভৱ কৰা ৰচনাকাৰসকলে "প্ৰতিফলিত আত্মজীৱনীৰ খণ্ডবোৰ আৰু উপাখ্যান আৰু বৰ্ণনাৰ মূল ছিদ্ৰৰে পৃথিৱীখন চায়" ।

<u>উদ্দেশ্যধৰ্মী, বাস্তৱিকঃ</u> এই মেৰুৰ পৰা লিখা ৰচনাকাৰ সকলে "নিজৰ বিষয়ে প্ৰতক্ষভাৱে নকয়, কিন্তু কোনো সাহিত্যিক বা বৈজ্ঞানিক বা ৰাজনৈতিক বিষয়বস্তুৰ প্ৰতি নিজৰ মনোযোগ বাহিৰলৈ ঘূৰাই দিয়ে, আৰু প্ৰাসংগ্ৰিক তথ্যৰ পৰা সাধাৰণ সিদ্ধান্ত লোৱা হয় ।

<u>বিমূৰ্ত সাৰ্বজনীনঃ</u> এই মেৰুটোত আমি সেই ৰচনাকাৰক বিচাৰি পাওঁ যিয়ে উচ্চ বিমূৰ্ততাৰ জগতখনত নিজৰ কাম কৰে, যি সকলে কেতিয়াও বক্তিগত নহয় আৰু যিসকলে অভিজ্ঞতাৰ বিশেষ তথ্যৰ কথা খুব কমেইহে উল্লেখ কৰে ।

হাক্সলীয়ে লগতে কয় যে, "আটাইতকৈ সন্তুষ্টিদায়ক ৰচনাসমূহে এটা-দুটা নহয়, ৰচনাখনৰ অস্তিত্ব সম্ভৱপৰ তিনিওখন জগতৰেই সৰ্বোত্তম ব্যৱহাৰ কৰে।"

---

। ৰবদৈটিলা ।

# কানৈ গ্ৰীণ ক্লাৱ- পৰিৱেশ আন্দোলন আৰু অধ্যক্ষ মহোদয়



-গৌতম চেতিয়া
পঞ্চম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ।

কৰ্মসূৰ্য্য ডং শশীকান্ত শইকীয়া ছাৰৰ নেতৃত্বত এদল দুৰন্ত সৈনিক কানৈ গ্ৰীণ ক্লাৱ।

সন্মানীয় অধ্যক্ষ মহোদয়ৰ আহ্বানত ২০১৫ চনৰ জুন মাহতে গঢ় লৈ উঠিছিল 'কানৈৰ সেউজ সংঘ'(গ্ৰীণ ক্লাৱ)।উল্লেখনীয় যে মহাবিদ্যালয়ত চতুৰ্থ বৰ্গৰ স্থায়ী (চৰকাৰী) কৰ্মচাৰী নাই বুলিবই পাৰি! অধ্যক্ষ মহোদয়ৰ প্ৰতি থকা আন্তৰিকতা,শ্ৰদ্ধা আৰু মহাবিদ্যালয় খনৰ প্ৰতি থকা দায়বদ্ধতাই মহাবিদ্যালয়ৰ চৌহদত বাস কৰা প্ৰতিজন দায়বদ্ধ কৰ্মচাৰী লগতে কানৈৰ ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ আৱাসী, শুভাকাঙ্খী সকলক প্ৰতিদিনে পুৱা ৫(পাঁচ) বজাত কানৈ বাককৰিত একত্ৰিত কৰিলে।আৰু আজিকোপটি ২০১৫ চনৰ জুন মাহৰ সেই বিশেষ দিনটোৰ পৰা এই ধাৰা অব্যাহত আছে। এই গ্ৰীণ ক্লাৱেই মহাবিদ্যালয় খন আটকধুনীয়া কৰি ৰাখিছে। ২০১৫ চনৰ পৰা ২০২২ চনলৈ ধাৰাবাহিকভাৱে মহাবিদ্যালয়ৰ স্বচ্ছতাৰ লগতে পৰিৱেশ সেউজীয়াকৰণৰ দিশটোক এনেদৰে সু-সংগঠিত ৰূপত আগুৱাই নিয়া হৈছে,যাৰ ফলত কানৈ মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ মাজত চাফ-চিকুন,পৰিস্কাৰ- পৰিচ্চন্নতা আদি মনোভাৱ শিপাবলৈ লৈছে।

এই সেউজ পৰিৱেশে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশক সোণত সুৱগা চৰাইছে। কঠোৰ শীত-গ্ৰীষ্ম,ৰ'দ-বৰষুণ,উৎসৱ-পাৰ্বন সকলো নেওচি প্ৰতি পুৱা ৪ বজাতেই মহাবিদ্যালয়ৰ চৌহদৰ প্ৰতিজন দায়বদ্ধ কৰ্মচাৰীয়ে ঢাৰি-পাতি এৰে আৰু পাঁচ বজাত হাতত ঝাড়ু,ৰং আদি সৰঞ্জাম লৈ সাজু হয়।ঠিক সমানেই ছাত্ৰাবাস,ছাত্ৰীনিবাসতো আগদিনাই প্ৰাৰ্থনা সভাত ঠিক কৰি দিয়া অনুসৰি নিৰ্দিষ্ট আৱাসী সকলো পাঁচ বজাতে হাতত ঝাড়ুলৈ উপস্থিত হয়হি। সকলোৱে আগ্ৰহেৰে বাট চায় অধ্যক্ষ মহোদয়লৈ ঠিক পাঁচ বজাৰ আশে-পাশেই মুখত এমোকোৰা হাঁহি লৈ মহাবিদ্যালয়ত উপস্থিত হয়হি অধ্যক্ষ মহোদয়। কেতিয়াবা কেতিয়াবা কিন্তু ছাৰে উগ্ৰ ৰূপো লয়,কিন্তু তাৰ মাজতো লুকাই থাকে ছাৰৰ কৰ্মচাৰী সকলৰ প্ৰতি থকা,ছাত্ৰাবাস-ছাত্ৰীনিবাসৰ আৱাসীসকলৰ প্ৰতি থকা নিভাঁজ মৰম,আন্তৰিকতাবোৰ। উল্লেখনীয় যে, আৰম্ভণীৰে পৰা আজিকোপটি অধ্যক্ষ মহোদয়ৰ অনুপস্থিতি খুউব আঙুলীমূৰত লেখিব পৰাকৈহে হৈছে। খুউব টানত নতুবা কৰ্মসূত্ৰে দুৰণীবটীয়া স্থানলৈ গ'লেহে তেখেতৰ অনুপস্থিতি হয়। সেই দিনকেইটাতো কিন্ত দায়ৱদ্ধ কৰ্মচাৰী সকলে এই সেউজ সংগ্ৰাম অব্যাহত ৰাখে।

গ্ৰীণ ক্লাৱে কি কি কৰে? হাতত ঝাড়ু, টুকুৰি, খন্তি,কেঁচি,ঠেলা,ঘাঁহ কটা মেচিন প্ৰয়োজনত কোৰ, দা, মৈ, ৰং, স্প্ৰে, কেতিয়াবা টুলুঙা নাৱত। মহাবিদ্যালয়খনৰ চৌহদকে ধৰি ছাত্ৰ প্ৰসাৱগাৰ, ছাত্ৰীৰ লগতে শিক্ষক-শিক্ষত্ৰীৰ জীৰণীকোঠাৰ প্ৰসাৱগাৰ চাফ-চিকুণ কৰা, ডাষ্টবিন সমূহ চাফা কৰা,মহাবিদ্যালয়ৰ চৌহদৰ ফল-ফুল আদিৰ গছ-গছনি ৰোপন কৰা লগতে প্ৰতিপালন কৰা,মহাবিদ্যালয়ৰ চৌহদ নতুবা শ্ৰেণী কক্ষ,প্ৰেক্ষাগৃহ আদিত বিশৃংখল ভাৱে থকা বেঞ্চ-ডেক্স,চকী আদি শৃংখলাবদ্ধভাৱে নিজ নিজ স্থানত ৰখা,দিনৰ ভাগত ছাত্ৰ-ছাত্ৰী নতুবা অন্য লোকে পেলাই যোৱা বিভিন্ন পেকেট সমূহৰ লগতে নিষিদ্ধ যদিও লুকাই-চুৰকৈ পেলোৱা গুটকা-তামোলৰ পিক্ আদি চাফা কৰি প্ৰতি দিনে প্ৰায় ৩৫০০ৰো অধিক ছাত্ৰ-ছাত্ৰীক এক সেউজ,নিকা পৰিৱেশ,শুদ্ধ বায়ু প্ৰদান কৰে।

বোধকৰো পৃথিৱী যিকোনো প্ৰান্ততে এনে স্বেচ্ছাসেৱকৰ কৰ্মৰ উদাহৰণ বিৰল। এই সেউজ,স্বচ্চ আন্দোলনৰ এজন সক্ৰিয় আৰু কণিষ্ঠ,ছাত্ৰ সদস্য হ'বলৈ পাই আমি গৌৰৱান্বিত আৰু সৌভাগ্যৱান। মুঢানি আমগুৰি এখন সৰু গাৱঁত মোৰ জন্ম, জীৱনৰ আদিপাঠ গাৱঁতে লৈ উচ্চতৰ মাধমিক পৰীক্ষা চাবুৱাৰ ডিডিআৰ মহাবিদ্যালয়ৰ পৰা উত্তীৰ্ণ হ'লো। উচ্চ শিক্ষাৰ বাবে ডিব্ৰুগড় নগৰীৰ সেই বিশাল ঐতিহাসিক ভৱনৰ দুৱাৰ টুকুৰিয়ালোহি। ২০২০ বৰ্ষৰ ২১ ছেপ্তেম্বৰ  তাৰিখে মহাৰজত বৰ্ষ গৰকা সেই সদাব্যস্ত কেশৱ চন্দ্ৰ গগৈ পথৰ কাষত সগৌৰৱে মূৰ দাঙি দেশত বৃটিছৰাজৰ সাক্ষী,স্বাধীনতাৰ, দেশ বিভাজন সাক্ষী, অসমৰ জুইৰে পোৱা তিৰাশীৰ,বৰ ভুঁইকম্পৰ সাক্ষী ঐতিহাসিক তাহানিৰ "ডিব্ৰুগড় মহাবিদ্যালয়" আজিৰ ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ত ভৰি দিলোহি। ১০ নৱেম্বৰ,২০২০ তাৰিখে  মহাবিদ্যালয়ৰ একমাত্ৰ ছাত্ৰবাস  তাহানিৰ 'নতুন ছাত্ৰাবাস' আজিৰ ডিম্বেশ্ব চলিহ ছাত্ৰাবাসত আৱাসী হিচাপে নতুন পৰিচয় লাভ কৰো। সেই দিন ধৰি  পৰীক্ষাৰ সময়ছোৱা নতুৱা স্ব-গৃহলৈ গলে নতুৱা কোনো অসুখ-বিসুখ হ'লে সেই দিন এৰি আজিলৈ পুৱা পাঁচ বজাত গ্ৰীণ ক্লাৱৰ এজন হৈ সামান্য সেৱা আগবঢ়াই আহিছো। এই সেৱাৰ প্ৰতি শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ৰ সঁহাৰি অতি ইতিবাচক,যিয়ে মোক লগতে ছাত্ৰাবাস-ছাত্ৰীনিবাসৰ আৱাসী সকলক অনুপ্ৰেৰণা যোগায়।





গৌৰৱময় ৭৭ বৰ্ষ সোণালী ইতিহাসেৰে সমৃদ্ধ ঐতিহ্যমণ্ডিত ডি এইচ এচ কানৈ মহাবিদ্যালয়ে সম্প্ৰতি 'গ্ৰীণ অডিটেড কলেজ','স্বচ্ছতাৰ কলেজ' ,'শ্ৰেষ্ঠ শৃংখলাবদ্ধ কলেজ' ,'অসমৰ পৰিস্কাৰ মহাবিদ্যালয়' ,নামেৰে সুনাম আৰ্জিছে। ডি এইচ এচ কানৈ মহাবিদ্যালয়ে কেন্দ্ৰীয় চৰকাৰৰ খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰণালয়ৰ তৰফৰ পৰা দেশৰ ভিতৰত স্বচ্ছতাৰ দ্বিতীয় 'ৰাষ্ট্ৰীয় স্বচ্ছ ভাৰত পুৰস্কাৰ-২০১৭ ', ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱ ২০২০ আৰু ২০২২ বৰ্ষত দুবাৰকৈ 'শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়'ৰ সন্মান ,ডিব্ৰুগড় জিলা প্ৰশাসনৰ তৰফৰ পৰা ২০১৮ চনত 'ডিব্ৰুগড় স্বচ্ছতা পুৰস্কাৰ' , ডিব্ৰুগড় নাগৰিক মঞ্চৰ পৰা তৰফৰ পৰা ২০২২ চনত 'অসম পৰিস্কাৰ মহাবিদ্যালয়'ৰ সন্মান, নেহৰু যুৱ কেন্দ্ৰ ডিব্ৰুগড় শাখাৰ তৰফৰ পৰা মহাবিদ্যালয়খনক স্বচ্ছতাৰ সন্মান প্ৰদান,গুণগত শিক্ষা প্ৰদান কৰাৰ ISO-9001 :2015 প্ৰমাণ পত্ৰ লাভ কৰিছে।

কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়া মহোদয়ৰ প্ৰত্যক্ষ নেতৃত্বত গ্ৰীন ক্লাৱৰ আন আন সদস্য সকল হ'ল, দেবাৰু ভূঞা,ৰঞ্জিৎ বৈৰাগী, অনুপম দত্ত,নিতুল দত্ত,কৃষ্ণকান্ত পাৰ, চন্দ্ৰ সন্দিকৈ, সঞ্জয় বৈশ্য,মনোজ শৰ্মা,দীপজ্যোতি ফুকন,চন্দেশ্বৰ দত্ত,হেমন্ত দাস,পূৰ্ণেশ্বৰ দাস,জ্যোতি চেতিয়া,পুতলী বৰা,খগেন ফুকন, বনজিৎ ডেকা,অনিল সিংহ, গৌতম চেতিয়া,ৰেল বিষয়া অনুপম মহন্ত,প্ৰাক্তন ছাত্ৰ দিলীপ সিং লগতে ডিম্বেশ্বৰ চলিহ ছাত্ৰাবাস আৰু ছাত্ৰীনিবাসৰ আৱাসীসকল ।

গ্ৰীণ ক্লাৱৰ উদ্যোগতে মহাবিদ্যালয়ৰ চৌহদত নানান ফল-ফুলৰ গছ-গছনি ৰোপন তথা প্ৰতিপালন কৰাৰ লগতে মহাবিদ্যালয়ৰ চৌহদৰ পুখুৰীত মীন পালন আৰু হাঁহ পালন কৰি স্বাৱলম্বীতাৰ এক আদৰ্শ দেখুৱাইছে।ই আমাৰ নৱপ্ৰজন্মৰ বাবে এক আদৰ্শ তথা নিবনুৱা সকলৰ অনুপ্ৰেৰণাৰ উৎস হৈ ৰব।

কানৈৰ গ্ৰীণ ক্লাৱৰ কৰ্মৰাজীৰ সম্প্ৰকে 'ডি এইচ এচ কলেজ গ্ৰীণ কেম্পাছ' আৰু উদ্ভিদ বিজ্ঞান বিভাগৰ উদ্যোগত 'Handbook on Plant Species Diversity of DHSK College' শীৰ্ষক দুখনকৈ গ্ৰন্থ প্ৰকাশ পাইছে। যিয়ে গ্ৰীণ ক্লাৱৰ কৰ্মৰাজীক এক অনন্য স্বীকৃতি প্ৰদান কৰিছে।

। বৰদৈচিলা ।




কিন্তু এনে অনুভৱ হয় যেন,গ্ৰীণ ক্লাৱ আৰু মহাবিদ্যালয়লৈ ইয়াৰ ত্যাগ আজিও উপেক্ষিত হৈ আছে। গ্ৰীণ ক্লাৱে যিদৰে সঁহাৰি পাব লাগিছিল আজিও যেন বঞ্চিত হৈ আহিছে এনে অনুমান হয়। কেৱল অধ্যক্ষ মহোদয়ে ক্লাৱক অভিভাৱকৰ দৰে পালন কৰি আহিছে। মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক-অধ্যাপিকা,প্ৰাক্তন ছাত্ৰ তথা শুভাকাঙ্খী ৰাইজলৈ এটি বিনম্ৰ অনুৰোধ যেন সকলোৱে গ্ৰীণ ক্লাৱক সহযোগ কৰক,আৰ্থিকভাৱে সহায় কৰি অনুপ্ৰেৰণা আৰু উৎসাহ যোগাওক।

গ্ৰীণ ক্লাৱ কেৱল চাফাই,বৃক্ষৰোপন ও প্ৰতিপালন আদিতে আবদ্ধ থকা নাই প্ৰতি বছৰে প্ৰকৃতিৰ হকে কাম কৰি অহা,সমাজৰ একোজন প্ৰকৃতিবিদক "ডিম্বেশ্বৰ চলিহা স্মাৰক গ্ৰীণ ক্লাৱ বঁটা" প্ৰদান কৰি আহিছে। ই প্ৰকৃতিবিদ সকলক কিছু হলেও উৎসাহ,প্ৰেৰণা যোগাব বুলি আশা কৰা হৈছে।

কানৈ গ্ৰীণ ক্লাৱ আৰু ইয়াৰ কৰ্মৰাজীয়ে "সুস্থ পৰিৱেশত হে সুস্থ মনে বিৰাজ কৰে" উক্ত কথাষাৰ প্ৰতিপন্ন কৰিছে।

জয়তু কানৈ গ্ৰীণ ক্লাৱ ।
জয়তু ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাস ।
জয়তু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়।।

---

# সপোন

✓-নিপু বৰুৱা
পঞ্চম ষাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ।

ভগ্ন ডেউকাৰ মনৰ পক্ষীয়ে
জানো চুমিব পাৰে আকাশৰ সীমনা
ব্লেকআউটৰ কলা ধোঁৱাই কৰা নিতাল নিস্তব্ধতা
তাৰ মাজেৰে যেন চিকিমিকি সুৰুজৰ
সোণোৱালী আভা।

এক নতুন দিগন্তৰ আশা ....
কিছু নিকা সমাজৰ প্ৰত্যাশা
যত নাথাকিব হত্যা-হিংসা ,
নিবনুৱা আৰু ৰাজনীতিৰ ধূসৰতা ,
নাথাকিব ব্যভিচাৰ,জাত-পাত

ধৰ্মৰ নামত বিভীষিকা।
মাথোঁ থাকিব সফলতা ,জীৱন জীনাৰ উৎসাহ।
সংগ্ৰামেইটো জীৱনৰ আন এক নাম,
সফলতাৰ শিখৰ আৰোহনে সমাজত সুখ হাঁহি
বিৰিঙোৱাই যেন হওঁক
মোৰ জীৱনৰ সপোন সাৰ্থকতা....

আকাশ.. আকাশ চুবৰে মন।

# আইলৈ একলম

-বাস্তৱ মৰাণ
তৃতীয় ষাণ্মাষিক
ৰাজনীতি বিজ্ঞান বিভাগ।

শৰৎ আহিলেই
মই উন্মনা হৈ পৰো
শৰতৰ আবেলি বোৰত
তাতে আকৌ এতিয়া মোৰ নতুন ঠিকনা
কিন্তু মই....

তই কেনে আছ আই
শৰতৰ এই আবেলিবোৰত
তোৰলৈ বৰকৈ মনত পৰিছে....
তই জাননে আই
আমাৰ ডি. চি. হোষ্টেলৰ
খিৰিকিৰে সন্ধ্যাবোৰ নামি আহিছে
চৌপাশে ইলেক্ট্ৰনিক লাইটবোৰ জ্বলি উঠিছে
পোহৰেৰে সন্ধ্যাবোৰ জীঁপাল কৰি তুলিছে....

কিন্তু মই বিচাৰি পোৱা নাই আই
শৰতৰ সেই আবেলিবোৰ
য'ত আছিল তোৰ হৰিনাম
তুলসীৰ তলৰ চাকি গছ
আৰু যে ৰাতিবোৰ গভীৰ হৈ আহিলেই
পদূলিৰ শেৱালী জোপাৰ
সুবাস বিয়পি পৰে চৌপাশ.....
অহঃ পাহৰিছোৱেই
পদূলিৰ শেৱালী জোপা ফুলিছেনে
আগৰ দৰে.....??

এইবাৰ কাতি বিহুত
তোৰ তুলসীৰ তলৰ চাকিৰ আগত
সেৱা কৰিবলৈ যাব নোৱাৰিলো
তই বেয়া নাপাবি আই .....।

শৰতৰ এই আবেলিবোৰত
তোলৈ বৰকৈ মনত পৰিছে আই ।।

# নিস্তব্ধ জীৱন

-দেৱজীত বৰা
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ ।

বিষাদ বিষাদ লগা
শূণ্যতাৰে ভৰা এই জীৱন ।
কি পালো কি হেৰুৱালো
একোকে ধৰিব নোৱাৰিলো ।।
যাৰ বাবে এই সেউজীয়া
ধৰণী দেখিলো।
যাৰ দুহাতে ধৰি
এই সেউজীয়া বননিত
থুনুক থানাককৈ
খোজ পেলাবলৈ শিকিলোঁ।।
যিয়ে নেকি কত বেদনাৰে
দিন ৰাতি উজাগৰ কৰি
মোৰ ভালৰ বাবে ঈশ্বৰৰ ওচৰত
শৰণাগত হৈছিল ।।
তেওঁৰেই আজি
মই ডাঙৰ হোৱাৰ পাছত
কলে যে, তেওঁ মোক
বিচৰাই নাছিল।।
হয়তো মইয়ে বেয়া
তেওঁলোক মোৰ যোগ্য পিতৃ-মাতৃ।
মইহে তেওঁলোকৰ
যোগ্য সন্তান হব নোৱাৰিলো।।
মোক ক্ষমা কৰি দিবা ।।

---



# জীৱদ্দশা

-কল্লোল দত্ত
তৃতীয় ষান্মাসিক, অসমীয়া বিভাগ।

আবেলিৰ ৰদ জাকে বননি চুলেহি
অলপ পাছতে বেলিও ডুবিব
ৰাস্তাৰে মানুহৰ অহৰহ আহ-যাহ
যেন এক অঘোষিত প্ৰতিযোগিতাহে।

লাখুটি ডালকে সাৰথি কৰি
অতদিনে তেওঁ চলি আহিছে
আজিও তাৰ ব্যতিক্ৰম নহয়।

জুপুৰীটোৰ পৰা কোনোমতে
তেওঁ পদুলি মুখ পালেহি
এটা বুঢ়া চৰাইয়ো সেই সময়তে
পদুলিৰ কেঁতেৰীয়া গছ জোপাত পৰিছেহি।

সমস্যা কাতৰ জীৱনৰ চঞ্চল দৌৰত পৰা
এজনো লোকৰ আহৰি নাই
তেওঁক এবাৰ ঘূৰি চাবলৈ।

লাহে লাহে আন্ধাৰ নামি আহিল
ঠৰক বৰক খোজেৰে তেওঁ
জুপুৰীটোত সোমাল ।

ওলাই আহিব খোজা বলিয়া ভোক টোক
নিয়ন্ত্ৰণৰ ৰিপু মাৰি
শুবলৈ চেষ্টা কৰিলে।

জপুৰীটোৰ মুখাইদি জোনৰ
পোহৰ একাজলি সোমাই আহিল।
এই পোহৰতে তেওঁ দেখিবলৈ পালে,
ধূসৰত হৈ উঠা
শৈশৱ আৰু যৌৱন।

আৰু দেখিবলৈ পালে
এখন যন্ত্ৰাকৃতিৰ পৃথিৱী।
তেওঁ মনতে ভাবিলে
বুঢ়া চৰাইটোও কিজানি
এতিয়া শুই পৰিছে।

# উপলব্ধি

- বেদান্ত গগৈ
তৃতীয় ষাণ্মাষিক, পদাৰ্থ বিজ্ঞান বিভাগ ।

এটি পথৰ পথিক আমি
একত্ৰিত হওঁ মিলি জুলি
ভিন্নতা পাহৰি ।
গুলাই যাওঁ আহক আমি
সঠিক পথৰ সন্ধানত
সঠিক সমাজ গঢ়াৰ পথত।
গঢ়ো আমি নতুন পৃথিৱী
যত থাকিব সুখ, সমৃদ্ধি
আৰু আনন্দৰ বন্যা ।।

---

# মোৰ অনুভৱ



- শ্ৰী অমিত মাহাতু
প্ৰথম ষাণ্মাসিক, বুৰঞ্জী বিভাগ।

প্ৰেম বিহীন জীৱন আৰু
আত্মা বিহীন শৰীৰ একে ......

জানো সম্ভৱ প্ৰেম বিহীন জীৱন ?
কল্পনাই কৰিব নোৱাৰি
প্ৰেম মানেই দুটি আত্মাৰ মিলন
প্ৰেম বিহীন জীৱন কেনেকৈনো সম্ভৱ ?
মই যন্ত্ৰ হব নোখোজ
মইও আপোনালোকৰ মাজৰ পৰাই এজন
মোৰো হৃদয় আছে ,মোৰো সপোন আছে
যাৰ অপেক্ষাত দিনবোৰ
এদিন - দুদিন কৈ বাগৰিছে
এই সমাজখনৰ প্ৰতি মোৰ
বিদগ্ধ প্ৰেম আছে যিটো মই
কৈ বা লিখি প্ৰকাশ কৰিব নোৱাৰিম ।
কেনেকৈনো সম্ভৱ প্ৰেম বিহীন জীৱন!

# নাৰী

-দিপন ভূঞা
তৃতীয় ষাণ্মাসিক, পদাৰ্থ বিজ্ঞান।

নাৰী তুমি অনন্যা
নাৰী তুমি মহান
নাৰীয়েই সাহসৰ প্ৰতীক
ত্যাগৰ মূৰ্ত নিদৰ্শন।
নাৰী মানে নহয় দুৰ্বলতা
নাৰী মানে নহয় শোষণতা
পুৰুষ যেনেকৈ দেৱ তুল্য
নাৰী তেনেকৈ দেৱী তুল্য
নাৰী বিনে নাই গতি
নাৰী হৈছে জগত জননী।
নাৰী মানেই নহয় চলনাময়ী
নাৰী হৈছে মমতাময়ী ।।
নাৰীয়েই হেনো পৃথিৱীৰ মাতৃ
নাৰীয়েই হেনো সৃষ্টিকামী
কত যে যন্ত্ৰনাৰ সাক্ষী
তোমাৰে দেহাটি
নদী হৈ বৈ যোৱা তুমি
আগ্নেয় হৈ জ্বলি উঠা তুমি
প্ৰেমেৰে ঘৰ সাজা তুমি
হাঁহিৰে দুখ সহ্য কৰা তুমি
চকুপানীবোৰ লোৱা সামৰি
বিপ্লৱী হুংকাৰেৰে যোৱা আগবাঢ়ি।
নোৱাৰিম চাগে লিখিব তোমাৰ গুণ গৰিমা
শব্দহীন আজি মোৰ কবিতা !!!



# জীৱন

-প্ৰান্তিক দত্ত
প্ৰথম ষাণ্মাসিক,ভূগোল।

জীৱনৰ জখলা বগাব নাজানিলো
সকলোৱে যেন আগুৱাই গল,
মই হে থমকি ৰলো,
পোৱা নোপোৱাৰ হিচাপ বহু কৰিলো
হতাশ মোৰ জীৱনক,
আৰু নকৰো হিচাপ,
পোৱাখিনি কম নহয় মোৰ
আছে মোকো ভালপোৱা মানুহ
মা দেউতা সেয়ে বহুত।

---

# মোৰ ছাঁ

-মৃগাঙ্ক চাণ্ডিল্য
প্ৰথম ষাণ্মাসিক, নৃতত্ব বিভাগ।

মোৰ এটা ছাঁ আছে লগে লগে ফুৰে
গঢ়পিত সকলো মোৰ লগত মিলে ।
যলৈকে যাওঁ মই লগে লগে যায়
মোক এৰি এক্ষন্তেকো আঁতৰি নাযায় ।
পোহৰৰ লগত সমন্ধ তাৰ পোহৰেই ঘৰ
নেপাই কোনেও দেখা নহলে পোহৰ অবিহনে
কাম বন নাই তাৰ লগে লগে থাকে
মাত বোল সি একো কৰিব নোৱাৰে।
অতি অপদাৰ্থ লগৰীয়া কাম-বন নাই
লগে লগে থকি মাথো জঞ্জাল গোটাই।
ইয়াৰ দৰে মানুহৰ কোনো কাম নাই
সংসাৰত থাকি মাথো বিপদ ঘটাই।

---



# দেউতা

-অমিত মাহাতু
প্ৰথম ষাণ্মাসিক, বুৰঞ্জী বিভাগ।

দেউতা কত আছা তুমি ?
মোৰ মানস জগতত
তোমাৰেই প্ৰতিচ্ছবি ।

নিষ্ঠুৰ নিয়তিয়ে তোমাক
লৈ গুচি গ'ল
মাৰ উকা কপালখনৰ দৰেই
মই আজি নীসংগ।

দেউতা তুমি বিহীন উৰুখা নিশা
তিতি থকা মোৰ মাৰ চকুৰ পতা
মই বুজা নাছিলোঁ তেতিয়া
পিতৃহীন বেদনাৰ বোজা ।

আজি শুনিছোঁ বৈ বৈ
উকা উকা লগা নীসংগতা
তোমালৈ বহুত মনত পৰিছে
অশ্ৰুসিক্ত নয়নে
মোৰ চিঞৰিবলৈ মন গৈছে
"আহনা দেউতা তুমি উভতি আহ" !

---

# নিসংগ

-মন্দীপ গগৈ
প্ৰথম ষাণ্মাসিক, ভূগোল বিভাগ।

সকলো থকাৰ পাছতো কিয়
প্ৰয়োজন অনুভৱ কৰো
সেই বিশেষজনৰ।
কিয় তাই অবিহনে
নিসংগ অনুভৱ কৰো?
তাই অবিহনে যেন মই আধৰুৱা ।

তোমাৰ সান্নিধ্যত জীৱন জীয়াৰ সপোন আছিল
উশাহৰ আৰম্ভনিৰ পৰা সীমনালৈ তোমাক বিচাৰিছিলো
পিছে তুমিতো মোক এটা জীয়া মৃতদেহৰ ৰূপ দিলা ।।

---

# ইতিহাসৰ পম খেদি

-কল্লোল দত্ত
তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ।

এনেকৈয়ে প্ৰতিটো পল পাৰ হৈ উৰি যায় অতীতলৈ
দিন আহে দিন যাই...
ৰাতি আহে ৰাতি যায় সু
খৰ অনুভূতিয়ে ক্ষন্তকতে লয় বিদাই
নিৰাশক্ত হৈ পৰে জীৱন..
দুখৰ বেদনাই মনতে থিতাপি লয়

জীৱনৰ সপোনবোৰে দিয়ে মোক আকৌ জীয়াই
থকাৰ নতুন প্ৰেৰণাএক নতুন আশা।
এক নতুন উদ্দম ।।

জীৱনৰ নদীখনে লৈ এক নতুন গতি
এই জীৱনৰ ময়ো মৃত্যু পথৰ যাত্ৰী
আশা মাথোঁ হেই শেষ ক্ষণলৈ!

---

# নীলাভ আকাশ

- শ্ৰী কৌশিক দোলাকাষৰীয়া
প্ৰথম ষাণ্মাসিক, বুৰঞ্জী বিভাগ।

পোৱাৰ পোহৰেৰে জিলিকি উঠা তুমি
ৰঙচোৱা বেলিয়ে প্ৰভাতৰ আভাস দিয়া তুমি
বিশাল বিশাল ডাৱৰৰ মাজে মাজে
লুকাই থাকা তুমি।
যেতিয়া মেঘে গৰজি উঠে
কলা ডাৱৰৰ মাজে মাজে
সেমেকা মনেৰে লুকাই
ধৰাৰ সৌন্দৰ্য উপভোগ কৰা তুমি।
ৰাতিৰ আকাশৰ চিকমিক তৰাৰে
পোৱাৰ ৰঙচুৱা আভাসে
এখন মলিবিহীন
বিশাল আকাশ তুমি।

---



# Hostel life

- Abhi cherty
1st Sem, BCA

I never thought that i will stay in hostel. My wish to live in rent room to study, but my family pressurized me to stay in hostel. So, I finally goodbye home to stay in hostel. It was my first experience in hostel. The hostel life was totally different from my imagination.

In first day of hostel, i got room in first floor,i am very sacred and nervous seeing hostel seniors. Hostel seniors come to my room and asked me to give your introduction. I never know how to give a introduction, but hostel seniors taught me in polite manner. They also told me about rule and regulations of hostel. In first week of hostel i am very sacred and nervous, hostel seniors teach to become fearless.

Hostel life teaches many lessons- self-dependence, self-reliance, and disciplined way of life. At home, the young remain dependent on the mother, the elder sister, or the servant, but in the hostel, everything has to be done by himself. Hostel life gives one the training to develop a taste for whatever food is served. At home, one can show his own preferences and throw his own bad mood in the matter of food. The most important lesson learned from hostel is adjustment and social accommodation with others. A regulated way of life is learned in a hostel's life.

Hostel staff and roommates are very polite. In the hostel, life is full of opportunities for both amusement and studies.

---

# Family Life and Hostel Life

-Onphung Narzary
HS 2nd Year

Man is a social being. He has been living in a society surrounded by families. After the working days, people come back to their houses to live with their family. But in this modern competitive world, human demands and necessities have increased to a large scale that we cannot fulfil all needs by staying at home. So we decide to live away from our families either in messes or In hostels. We all know that we cannot get all the facilities of a family staying in hosted. A hosted life is completely free from parenteral love and guidance. In hostel life, a student learns to be fit for practical life. Since one has to manage everything by oneself, one learns how to cope with the realities of life . In hosted life one gets complete liberty, which may often cause have if one is not conscious of one's time and duties. In hasted, a student can easily take other students help, which is not available in a family life, in a family life We get family help and guidance. The parents try to bring up their children in accordance with their wishes and ideology. The reckless students need complete family control and guidance. For a careful and conscious student, either living in a family or in a hosted they can cope up with their reality of life. Therefore, for a student, living with family or in a hostel does not make great difference, if he is careful and conscious about their future.

---

# THE REVENGE OF LOVE.

- Chinmoy Rajbanshi
1st Sem, Economics Dept

Hey- myself Chinmoy Rajbanshi at present a Student of **DIBRUGARH HANUMANBUX SURAJMAL KANOI COLLEGE, Department of Economics**, so as you have read the title and got an idea that this story going to be of Love. Yeah, not anyone else this story is of my own personal experience of love so, let me take you to the flashback to my teenage period (The period of maturity and and of chemical reactions on the body)

So, I was in the Class 10 the month was probably of January and our school reopens to start a new scholastic year and also our last year of high school. At class 10 we had three section A, B, C,. I was of C section and she was of A we two were stranger and didn't even knew that we two exist at our classes. Our first coincidence meet was during the practice for the Annual sports function of our school we were selected as volunteers for the smaller ones. Along this day I got attracted to her and with no time I asked her number. With little bit hesitation she gave me her number. After that we talked most of the time in WhatsApp some time also in our school campus hiding from our teachers forgetting that we two have our duties that is to study. After few months I proposed to her in front of everyone with no choice she have to answer me with "yes" but deep inside I knew that she didn't like me just because she had an crush in another boy Of our school. But hiding me she thought of staying in relationship with me for a few months to understand me a judge me how the boy I was, we had a very good time with each other but with time our half yearly examinations arrived and on the day of result our scores were very negative. She got very upset and decided to breakup with me as the whole fault was mine. She left me went for preparing for our finals i.e., MATRICULATION she studied hard but I went to depression and was very sad in the absence of her. I started consumption of alcohol, weed, cigarette's. I get addicted to the toxic elements and was totally weak and my body was like a corpse. Days passed and our finals arrived with no preparation and one night studding I gave all my exams. I was totally scared that I will fail. The exams. But somehow I passed with second division but I was not happy with it. She scored very good marks and well treated by everyone but i was treated negatively by my friend's family and neighbours. I got isolated and started to live lonely. But at last, I decided to take my revenge and studied hard for my Higher secondary quitting my bad habits. I studied hard and scored 86% securing 2nd position at my college. But she failed with one subject and git detained. I was well awarded by everyone. Also, with certificates. Few days back she texted me and told me that she wanted me back as a lover. I never replied to this and never looked back in my life. I moved on to chase my dreams and opportunities.

Morale of the story -- **KARMA HITS BACK VERY BADLY.**

# Bhaona – Traditional form of Assamese Entertainment

-Monuranjan Das
H.S. 2nd Year, Science

Bhaona is a traditional form of entertainment, always with religious message, prevalent in Assam, India. The history of assamese drama begins with the plays of mahapurush srimanta sankardeva (1449-1568) Written in the early sixteenth century. These plays are popularlly known as Ankiya nats and their staging is known as Bhaona. Bhaona is a performing art form. It is a simple drama which shows the victory of truth at the climax, generally wing fictitious or mythological kings, queens, demons, god, soldier etc. The story generally depicts initial superficial triumph of evils over good, but it shows the ultimate victory of good with intercession by the gods.



Bhaona was creating by Sankardeva the himself wrote seven drama (called onkia naat) for performance in bhaona. The first bhaona was chinha –yatra where he himself played the role of Bishnu. The particular form of religious school established by sankardeva is called Eksaran Bhagawati Dharma .He had been for pilgrimage twice to most of the holy places and had observed the folk-music and culture of many religious and culture schools. Then he created bhaona picking up ingredients from all those culture. Later many of his followers (including madhabdeva, the most famous disciple of sankardeva ) also wrote numerous dramas for bhaona .There are also many anonymous dramas available, most in hand –written form.

These plays are comprised of an orchestra who called 'Gaayan' (singers) and 'Baayans '(instrumentalist) and actors. The orchestral attire is stark white and the actors wear glittering costumes representing various kings, queens, demon and animal. The performers pass through an archway of light, which is called 'Agni Garh'. There is one sutradhar who begins the plays by narrating the story. The sutradhar explains the story along with the orchestra in between the play to make it easier for the audience to understand. The main drama is generally proceeded by a performance of the Gayan-Bayan .It's a musical, performed with traditional instrument (Khol, taal, Doba and Nagara; all the instruments were also created by sankardeva); with different hard and fast sequences ,and formulas ,which are also named differently.

# Sidhu Moose Wala

- Rishikesh Hazarika Sonowal
Second semester

**Shubhdeep Singh Sidhu (11 June 1993 - 29May 2022),** better known by his stage name Sidhu Moose Wala, was an Indian singer, rapper, songwriter and actor associated with Punjabi music and Punjabi cinema. He was a politician belonging to the Indian National Congress political party. Moose Wala started his career as a songwriter for the song "License" by Ninja, and began his singing career on a duet song titled "G Wagon". Following his debut, he collaborated with Brown Boyz for various tracks which were released by Humble Music. Sidhu is generally regarded to have been one of the greatest Punjabi artists of his generation. Moreover, he has been considered as a key figure in opening the door for Punjabi artists into mainstream music. Moose Wala gained wide attention with his track "So High". In 2018, he released his debut album PBX 1, which peaked at 66th on Billboard Canadian Albums chart. Following the album, he started releasing his songs independently. His 2019 single "47" was ranked on the UK Singles Chart. In 2020, Moose Wala was named by 'The Guardian' among 50 up and coming Asian chart, two of which have topped the chart. His song "Bambiha Bole" was among the top five on Global YouTube music chart. In 2021, he released 'Moosetape', tracks from which charted globally including Canadian Hot 100, UK Asian, and New Zealand Hot charts. Moose Wala was known for his controversial lyrical style, often promoting gun culture, while also challenging religious sentimentsas was the case related to 'Mai Bhago', a revered figure in Sikhism. He had faced legal challenges for promoting gun culture and using inflammatory and inciting lyrics in his songs. As of 2022, there were four ongoing criminal cases against him. Moose Wala was a member of the Indian National Congress, and unsuccessfully contested the 2022 Punjab Legislative Assembly election from Mansa.



Shubhdeep Singh Sidhu



After Gang War

# Thought

If wealth is lost , nothing is lost ; if health is lost , Something is l
character is lost, everything is lost ,"

**- By Billy Graham.**

Nothing is More important to us than our character. It give identity in society. Our behaviour, which is a reflection of our characte good or bad individuals. Unlike certain attributes like materials wealth, education, which we acquire during our live, the characters are someth with discipline and good values. On a different plane is material wealt comforts which took it lost, may be regain it. Its price is the time and eff it. On another place we have health, which when compared to v important of input for happy living, Hence the effects of ill-health pleasant and painful than those die to loss of wealth. But, cases of hopeless. They may be overcome by treating then Suitable. Howe health or wealth, failure of character cannot be rectified and unwor mean that we love our identity as human beings.

He was shot dead by unidentified assailants on 29 May 2022. He was travelling in his personal car and did neither took the two bodyguards provided by the state government nor his bullet proof car. A Canada based gangster, active in Punjab, claimed responsibility for the killing. According to the initial investigation by Punjab Police, the incident was due to inter gang rivalry. Bhagwant Mann, Chief Minister of Punjab announced a judicial investigation into his death.

---

# Thought

-Suresh Charoh
**H.S. 2nd Year**

If wealth is lost , nothing is lost ; if health is lost , Something is lost; but if character is lost, everything is lost ,"

**- By Billy Graham.**

Nothing is More important to us than our character. It gives us our distinct identity in society. Our behaviour, which is a reflection of our character, works us off as good or bad individuals. Unlike certain attributes like materials wealth, social status, and education, which we acquire during our live, the characters are something which is built with discipline and good values. On a different plane is material wealth like money and comforts which took it lost, may be regain it. Its price is the time and effort need to regain it. On another place we have health, which when compared to wealth, is a more important of input for happy living, Hence the effects of ill-health may be sure un pleasant and painful than those die to loss of wealth. But, cases of ill health are not hopeless. They may be overcome by treating then Suitable. However, unlike that of health or wealth, failure of character cannot be rectified and unworthy. Character will mean that we love our identity as human beings.


---



**সুৰজ হাজৰিকা**
ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০১৮-২১ বৰ্ষৰ নৃতত্ত্ব বিভাগৰ শ্ৰেষ্ঠ স্নাতক।




**নিপু বৰুৱা**
Assam Book of Records, Asia Book of Records, International Book of Records খিতাপ অৰ্জনকাৰী
(পৃথিৱীৰ ক্ষুদ্ৰতম কবিতা পুথিখন এদিনৰ ভিতৰতে ৰচনা কৰি)



**চাণক্য নেওগ**
কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীয়া সপ্তাহত দুবাৰকৈ শ্ৰেষ্ঠ সহকাৰী অভিনেতা খিতাপ অৰ্জনকাৰী।




**গৌতম চেতিয়া**
নতুন দিল্লী, সংসদ ভৱনত এক সৰ্বভাৰতীয় অনুষ্ঠানত অসমক প্ৰতিনিধিত্ব কৰি অংশগ্ৰহন কৰা মূহূৰ্ত্ত।



কানৈ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ নাটক প্ৰতিযোগিতাত ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসৰ পৰা অংশগ্ৰহন কৰা নাটক "১৫ আগষ্টৰ এটি কাহিনী"ৰ এক দৃশ্য।




প্ৰতিবছৰে গণতন্ত্ৰ দিৱসৰ উপলক্ষে গৃহহীন সকলক খাদ্য প্ৰদান কৰাৰ এক প্ৰতিচ্ছবি।




মহাৰজত জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ প্ৰাকক্ষণত ছাত্ৰাবাসৰ আৱাসীসকলে শ্ৰমদান কৰা এক মূহূৰ্ত।



মহাবিদ্যালয়ৰ স্বচ্ছতাৰ প্ৰতি থকা অৱদানৰ স্বীকৃতি স্বৰূপে ছাত্ৰাবাসক মহাবিদ্যালয়ৰ প্ৰশাসনৰ তৰফৰ পৰা প্ৰশংসা পত্ৰ প্ৰদান কৰা মূহূৰ্তত।






মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ সাংস্কৃতিক শোভাযাত্ৰাত ডিম্বেশ্বৰ চলিহা ছাত্ৰাবাসৰ অংশগ্ৰহনৰ এক মূহূৰ্ত ।



ডিম্বেশ্বৰ চলিহা প্ৰিমিয়াৰ লিগ(DCPL)ৰ বিজয়ী দ'ল "Cricket Predetors" ।



উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষৰ ছাত্ৰসকলৰ মাজত অনুষ্ঠিত কৰা পৰীক্ষাৰ এক মূহূৰ্ত।





ছাত্ৰাবাসত সৰস্বতী পূজা উদযাপনৰ মূহূৰ্ত।



ছাত্ৰাবাসৰ পৰা উলিওৱা প্ৰথমটো হুঁচৰি দ'ল।



ছাত্ৰীনিৱাসৰ অগ্ৰজ সকলৰ বিদায়ী সভাত।




ছাত্ৰাবাসৰ আৱাসীসকলে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ সভাপতি, তথা প্ৰাক্তন কানৈয়ানৰ লগতে ছাত্ৰাবাসৰ প্ৰাক্তন আৱাসী বিকাশ মিছং ডাঙৰীয়াক সম্বৰ্ধনা জনোৱাৰ মূহূৰ্তত।



ৰঙৰ উৎসৱ ফাকুৱাৰ এক মাহিন্দ্ৰ ক্ষণত ছাত্ৰাবাসৰ আৱাসীসকল।



মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ উপলক্ষে ছাত্ৰাৱাসৰ আৱাসীসকলৰ দ্বাৰা প্ৰদৰ্শন কৰা ষ্টান্ট।



ছাত্ৰাবাসত কাতি বিহু উদযাপনৰ এক দৃশ্য



আলি-আয়ে-লৃগাং উদযাপনত ছাত্ৰাৱাস আৰু ছাত্ৰীনিৱাসৰ আৱাসীসকলৰ এক আলোকচিত্ৰ

# ড° শশীকান্ত শইকীয়াৰ মৌলিক গ্ৰন্থ সম্ভাৰ



- অসমীয়াই সত্যৰ মুখামুখী হ'বলৈ সাহস কৰক (২০০৬)
- মৃত্যু উপত্যকাত নব্বৈ দিন (২০০৮)
- Unexplored Tourism Destination (2009)
- খোজ ঃ জীৱনৰ খোজ (প্ৰথম, দ্বিতীয় আৰু তৃতীয় প্ৰকাশ) (২০০৯, ২০১১)
- ছয় জনগোষ্ঠীৰ জনজাতিকৰণ আন্দোলন (২০১০)
- অসমৰ পৰ্যটন উদ্যোগ (২০১১)
- এজন সুখী মানুহৰ সন্ধানত (২০১১)
- দৃষ্টিকোণ (২০১১)
- মোৰ সপোনৰ ডিব্ৰুগড় (২০১১)
- মৰু ৰাজ্যৰ পৰা লেণ্ড অৱ ফাইভ ৰিভাৰলৈ (২০১৭)
- সাংবাদিক অসাংবাদিক (২০১৭)
- নেপথ্য ভাষণ- প্ৰথম, দ্বিতীয় খণ্ড (২০১৭, ২০১৮)
- An Experience of the Principal of DHSK College (2017)
- সুখ আৰু সৌন্দৰ্য (২০১৮)
- বিগুাছ অসমীয়া (২০১৯)
- জীৱন বাঁহীৰ সুৰ- প্ৰথম, দ্বিতয়, তৃতীয়, চতুৰ্থ খণ্ড (২০১৯, ২০২০, ২০২১, ২০২২)
- মোৰ জীৱন, মোৰ সপোন, মোৰ কথা (আত্মজীৱনী প্ৰথম খণ্ড) (২০২০)
- লকডাউন তোমাৰ নাম (কাব্যগ্ৰন্থ) (২০২০)
- ডি.এইচ.এছ. কানৈ মহাবিদ্যালয় (জুন, ২০১৫ - জুলাই, ২০২২)
- মোৰ কিয় খং উঠে (২০২১)
- কেনেকৈ নিঃশেষ হয় এটা জাতি (২০২১)
- দানবীৰ হনুমানবক্স কানৈ (২০২১)
- ভৱিষ্যতৰ যুৱ সমাজ (২০২২)

আপুনি পঢ়িলেনে?

যোগাযোগ কৰক ঃ **৯৩৬৫৫০৯৬৩৪** যদি পঢ়া নাই, তেন্তে আজিয়েই সংগ্ৰহ কৰক।